# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১২/০৭/২০২১ সোমবাৰ

---

**আজি ইংৰাজী ১২-০৭-২০২১ তাৰিখে দিনৰ ৯-৩০ বজাৰ পৰা মাননীয় অধ্যক্ষ শ্ৰীযুত বিশ্বজিৎ দৈমাৰী দেৱৰ অধ্যক্ষতাত ৰাষ্ট্ৰীয় সংগীতেৰে অসম বিধান সভাৰ পঞ্চদশ বাজেট অধিবেশন আৰম্ভ কৰা হয় ঃ**

**মাননীয় অধ্যক্ষঃ**- এতিয়া আছে মৃত্যু প্ৰসঙ্গ। পঞ্চদশ অসম বিধান সভাৰ প্ৰথম অধিবেশন সমাপ্তিৰ পৰা আজি ইংৰাজী ১২-৭-২০২১ তাৰিখে দ্বিতীয় তথা বাজেট অধিবেশন অনুষ্ঠিত হোৱালৈকে এই কালছোৱাৰ ভিতৰত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা ভালেকেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে। অতি দুখ আৰু ব্যথিত হৃদয়েৰে আজি অসম বিধান সভাৰ পৱিত্ৰ মজিয়াত এই বৰেণ্য ব্যক্তিসকলৰ বিয়োগত শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে।

**মাজেন্দ্ৰ নাৰ্জাৰী ঃ** আমাৰ মাজৰ পৰা গুচি যোৱা বিধায়ক আছিল মাজেন্দ্ৰ নাৰ্জাৰী ডাঙৰীয়া। গোসাইগাঁও বিধান সভা সমষ্টি বিধায়ক তথা বৰ্ষীয়ান ৰাজনৈতিক নেতা মাজেন্দ্ৰ নাৰ্জাৰী ডাঙৰীয়াই ২০০৬, ২০১১,২০১৬ আৰু ২০২১ চনত চাৰিবাৰকৈ গোসাইগাঁও বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈ এগৰাকী নিষ্ঠাবান ৰাজনৈতিক নেতাৰূপে সমষ্টিটোৰ সৰ্ব্বাঙ্গীণ উন্নতিৰ হকে সেৱা আগবঢ়োৱাৰ লগতে ৰাজ্যখনলৈও উল্লেখনীয় সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে। তেখেতে জীৱন কালত এগৰাকী শিক্ষক হিচাপেও সেৱা আগবঢ়োৱাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থাকি বহু গুৰু দায়িত্ব বহন কৰিছিল।

**লেহোৰাম বড়ো ঃ** এখেত বিধায়ক আছিল। তামুলপুৰ বিধান সভা সমষ্টিৰ বিধায়ক তথা বিশিষ্ট শিক্ষাবিদ লেহোৰাম বড়ো ডাঙৰীয়াই ২০২১ চনৰ নিৰ্বাচনত তামুলপুৰ বিধান সভা সমষ্টিৰ পৰা ইউ পি পি এল দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল। তেখেতে জীৱনকালত ৰাজ্যখনৰ শৈক্ষিক আৰু বিদায়তনিক দিশত বিশেষ বৰঙণি আগবঢ়োৱাৰ লগতে এগৰাকী খণ্ডউন্নয়ন বিষয়া হিচাপে ৰাজ্যখনৰ বিভিন্ন জিলাত বহু উন্নয়নমুলক কাম কৰিছিল। বড়ো ডাঙৰীয়াই বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত থাকি অনুষ্ঠানসমূহৰ বিকাশৰ ক্ষেত্ৰটো বিশেষ ভুমিতা গ্ৰহণ কৰিছিল।

**বিনয় কৃষ্ণ ঘোষ ঃ** গোৱালপাৰা পূৱ বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা জ্যেষ্ঠ অধিবক্তা বিনয় কৃষ্ণ ঘোষ ডাঙৰীয়াই ১৯৬৭ চনত গোৱালপাৰা পূৱ বিধান সভা সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী ৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ সমষ্টিতোৰ লগতে ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত উল্লেখনীয় অৰিহনা আগবঢ়াই থৈ গৈছে। তেখেতে আজীৱন অসম সাহিত্য সভাৰ সদস্য হিচাবে সেৱা আগবঢ়োৱাৰ উপৰিও বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত থাকি বহু গুৰুদায়িত্ব বহন কৰিছিল।

**আবু বাক্কৰ ছিদিকী জোতদাৰ ঃ**- পশ্চিম গোৱালপাৰা বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক আবু বাক্কৰ ছিদিকী জোতদাৰ ডাঙৰীয়াই ১৯৯৬ চনত পশ্চিম গোৱালপাৰা বিধান সভা

সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ সমষ্টিটোৰ উন্নয়নৰ হকে উল্লেখনীয় অৱদান আগবঢ়াই থৈ গৈছে। তদুপৰি তেখেতে জীৱন কালত বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত থাকি নিষ্ঠাৰে সেৱাৰ বৰঙণি আগবঢ়াই আছিল।

**নবীন চন্দ্ৰ বুঢ়াগোঁহাই ঃ** ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ তথা বৰ্ষীয়ান ৰাজনীতিক নবীন চন্দ্ৰ বুঢ়াগোঁহাই ডাঙৰীয়াই ১৯৭২ চনৰ পৰা ১৯৭৮ চনলৈ দুটা কাৰ্য্যকালৰ বাবে ৰাজ্যসভালৈ নিৰ্বাচিত
হৈ এগৰাকী নিষ্ঠাবান ৰাজনৈতিক নেতা হিচাপে ৰাজ্যখনৰ সমস্যাসমূৰ ৰাজ্যসভাত উত্থাপন কৰাৰ ক্ষেত্ৰত উল্লেখনীয় বৰঙণি যোগাই গৈছে। তদুপৰি তেখেতে এগৰাকী অধিবক্তা তথা যোৰহাট আইন মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে সেৱা আগবঢ়োৱাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত থাকি সামাজিক উত্তৰণৰ ৰূপত যথেষ্ট অৰিহণা আগবঢ়াই থৈ গৈছে।

**দিলীপ কুমাৰ ঃ** ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ, ভাৰতীয় চলচিত্ৰ জগতৰ প্ৰবীন অভিনেতা তথা প্ৰযোজক দিলীপ কুমাৰ ডাঙৰীয়াই ২০০০ চনৰ পৰা ২০০৬ চনলৈ ৰাজ্যসভাৰ সাংসদ হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। তেখেতে এগৰাকী সুদক্ষ অভিনেতা আৰু প্ৰযোজকৰূপে ভাৰতীয় চলচিত্ৰ জগতত অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। কুমাৰ ডাঙৰীয়াই 'জোৱাৰ ভাটা' শীৰ্ষক চবিখনৰে হিন্দী ছবি জগতত আত্ম প্ৰকাশ কৰি পৰৱৰ্তী সময়ত এগৰাকী অন্যতম মহান অভিনেতা ৰূপে পাঁচ দশক ধৰি দেশবাসীক মুগ্ধ কৰি ৰাখিছিল। তেখেতে ফিল্ম ফেয়াৰৰ আঠবাৰকৈ শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। তদুপৰি কুমাৰ ডাঙৰীয়াই জীৱন কালত দাদা চহেব ফাল্কে বঁটা, পদ্মভূষণ, পদ্ম বিভূষণকে ধৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ বহু উচ্চস্তৰীয় বঁটা ও সন্মানেৰে বিভূষিত হোৱাৰ লগতে অভিনেতা হিচাবে সৰ্ব্বাধিক সন্মান লাভ কৰি গীনিজ ৱৰ্ল্ড ৰেকৰ্ডৰ অধিকাৰী হৈছে।

**দেৱেশ্বৰ দলৈ ঃ** বিশিষ্ট মুক্তিযোদ্ধা দেৱেশ্বৰ দলৈ ডাঙৰীয়াই ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে যোগদান কৰি দেশ মাতৃলৈ উল্লেখনীয় সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে। তেখেতে জীৱন কালত খণ্ড উন্নয়ন বিষয়াকে ধৰি বিভিন্ন পদবীত গুৰুদায়িত্ব বহন কৰি ৰাজ্যখনৰ সামাজিক ক্ষেত্ৰখনত উল্লেখনীয় অৰিহণা আগবঢ়াই থৈ যোৱাৰ লগতে যোৰহাট মুক্তি যুঁজাৰু সন্মিলনীৰ সভাপতিৰ পদো অলংকৃত কৰিছিল।

বহু কেইজন আছে মই নামখিনি কৈ যাব বিছাৰিছো- ঘণকান্ত মহন্ত, বিশিষ্ট মুক্তিযোদ্ধা, পদ্মশ্ৰী ড° লক্ষ্মীনন্দন বৰা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসমীয়া সাহিত্য জগতৰ মহীৰূহ, সাংবাদিক, শিক্ষাবিদ তথা অধ্যাপক। পদ্মশ্ৰী মিলখা সিং ভাৰতৰ অন্যতম মহান ক্ৰীড়াবিদ। ড° ধীৰাজ বৰা, অসম বিজ্ঞান প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য তথা বিশিষ্ট শিক্ষাবিদ। ড° দিলীপ বৰা, বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ তথা সমালোচক। জ্ঞানশংকৰ খাখলাৰী, বিশিষ্ট্য সাহিত্যিক ও সাংবাদিক। ড° ৰোহিণী কুমাৰ বৰুৱা, অৱসৰ প্ৰাপ্ত প্ৰশাসনিক বিষয়া তথা লেখক। নিৰঞ্জন কুলী, আয়কৰ বিভাগৰ মুখ্য আয়ুক্ত আৰু বিশিষ্ট চিত্ৰশিল্পী। সমিৰণ বৰদলৈ বিশিষ্ট সমাজ সংগঠক। দাৰা আহমেদ বিশিষ্ট চলচিত্ৰ পৰিচালক তথা সাংস্কৃতিক কৰ্মী। হৰকান্ত শৰ্মা, বিশিষ্ট সংস্কৃত পণ্ডিত ও শিক্ষাবিদ। ড° মনোৰমা বৰগোহাঞি, বিশিষ্ট গীতিকাৰ ও সাহিত্যিক। অশোক দাস বিশিষ্ট কবি, সাহিত্যিক ও নাট্যকাৰ। ডাঃ ভূপেন শইকীয়া, বিশিষ্ট চিকিৎসক ও সু-লেখক। আজি সদনে সমগ্ৰ বিশ্বৰ লগতে ভাৰতৰ নভেল কৰ'ণা ভাইৰাছ (ক'ভিড-১৯) ত অকাল মৃত্যু বৰণ কৰা ব্যক্তি সকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ

গভীৰ সমবেদনা জ্ঞাপন কৰে আৰু চিকিৎসাধীন হৈ থকা ব্যক্তিসকলৰ আশু আৰোগ্য কামনা কৰে। এতিয়া প্ৰয়াত লোকসকলৰ পবিত্ৰ স্মৃতিত আৰু তেখেতসকলৰ বিদেহ আত্মাৰ সদ্গতি আৰু চিৰশান্তি কামনা কৰি একমিনিট কাল থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি মই অনুৰোধ জনালো।

(সদনৰ মাননীয় সদস্য-সদস্যা সকলোৰে একমিনিট সময় মৌনতা অৱলম্বন কৰে।)

এতিয়া প্ৰশ্ন নং (১) শ্ৰী সুশান্ত বৰগোঁহাই ঃ-

## Question Hour

**মাননীয় অধ্যক্ষ ঃ** কোৱেশ্বন নং- ১

**শ্ৰীবিমল বৰা (মন্ত্ৰী, শক্তি ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীসুশান্ত বৰগোঁহাই (থাওৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত কৈছে ৰাজহ গাঁৱত ইতিমধ্যে বৈদ্যুতিকৰণ কৰা হৈছে। টেকনিকেলী চাবলৈ গ'লে এইটো হয়। কাৰণ বৈদ্যুতিকৰণ কৰাৰ পিছত ৰাজহ গাঁওখনৰ নাম থাকে। কিন্তু গাওঁখনৰ এনে বহু চুক-কোণে থাকে য'ত এতিয়ালৈ বৈদ্যুতিকৰণ হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ প্ৰশ্নটোত কি থাকি গৈছে সেইখিনি কওঁক। বাকীখিনি ৰিপ্লাইত আছে। টু দি পইন্ট কওঁক?

**শ্ৰীসুশান্ত বৰগোঁহাই (থাওৰা) ঃ** ঠিক আছে অধ্যক্ষ মহোদয়। ইয়াত ৰাজহ গাঁও বুলি উত্তৰটো দিছে কিন্তু ৰাজহ গাঁৱৰ বহু চুক কোণত বৈদ্যুতিকৰণ হোৱা নাই। গতিকে ৰাজহ গাঁৱৰ যিবিলাক চুক কোন বৈদ্যুতিকৰণ কৰিবলৈ থাকি গ'ল সেইখিনি বৈদ্যুতিকৰণ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই উত্তৰটো দিব।

**শ্ৰীবিমল বৰা (মন্ত্ৰী, শক্তি ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়। অসমৰ যিবোৰ গাঁৱত বিগত দিনত ইলেক্ট্ৰিফিকেশ্যন হোৱা নাছিল সেই গাঁওবিলাকত ইলেক্ট্ৰিফিকেশ্যন কৰাৰ বাবে আমাৰ চৰকাৰে বিশেষ উদ্যোগ গ্ৰহণ কৰিছিল। কেৱল যিবিলাক নন কেডেষ্ট্ৰেল ভিলেজ আছে সেই সমূহৰ বাহিৰে "দীনদয়াল উপাধ্যায়" গ্ৰামজ্যোতি যোজনা আৰু সৌভাগ্য আঁচনিৰ জৰিয়তে প্ৰায় ১০০ শতাংশ গাঁৱতে বিদ্যুত সংযোগ কৰা হৈছে। মাননীয় বিধায়ক ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে- বাকী ৰৈ যোৱা গাঁওসমূহতো ইতিমধ্যে ডি পি আৰ প্ৰস্তুত কৰা হৈছে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ শক্তি মন্ত্ৰালয়লৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। আমি আশা ৰাখিছো খুব কম সময়ৰ ভিতৰত প্ৰায় ২০০০ কোটি টকা ব্যয় সাপেক্ষে সমগ্ৰ অসমত ৰৈ যোৱা গাঁওসমূহত বৈদ্যুতিকৰণৰ কাম আৰম্ভ হ'ব।

**শ্ৰীসুশান্ত বৰগোঁহাই (থাওৰা) ঃ** অধ্যক্ষ মহোদয়, ডেডিকেটেড এ আই ডি চি বুলি এটা চাব ষ্টেশ্যনৰ কথা কৈছে- এইটোয়ে কি বুজাইছে মই বুজি পোৱা নাই। আমাৰ আই এ ডি চি চেন্টাৰ এটা আছে সেইটোকে বুজাইছেনে আন কিবা বুজাইছে সেইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীবিমল বৰা (মন্ত্ৰী, শক্তি ইত্যাদি) ঃ** ডিমৌত এটা ইণ্ডাষ্ট্ৰিয়েল ইষ্টেট আছে। তাত যাতে বিদ্যুত সৰবৰাহ ভালধৰণে কৰিব পৰা যায় তাৰ কাৰণে এটা ডেডিকেটেড চাব ষ্টেশ্যন তাত নিৰ্মাণ কৰা হৈছে।

**শ্ৰীসুশান্ত বৰগোঁহাই (থাওৰা) ঃ** অধ্যক্ষ মহোদয়, কোনটো ঠাইত চাব ষ্টেশ্যনটো আছে সেইটো

মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** চাপ্লিমেন্টৰী কোৱেশ্যন দুটা কৰিব পাৰিব। বাকী উত্তৰ আপুনি মন্ত্ৰী ডাঙৰীয়াৰ পৰা পাব। মন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ কৰিছো আপুনি তেখেতক পিছত অৱগত কৰিব। আপুনি বহক। এতিয়া নিজামুদ্দিন চৌধুৰী।

**শ্ৰীনিজামুদ্দিন চৌধুৰী (আলগাপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি আলগাপুৰত বিদ্যুতৰ বহু অসুবিধা আছে। বহু ট্ৰেন্সফৰ্মাৰ বিকল হৈ আছে। আপোনাৰ মাধ্যমত মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ৩০-৪০ বছৰ পুৰণি বিদ্যুৎ লাইন আৰু বিকল ট্ৰেন্সফৰ্মাৰ বিলাক সলনি কৰিবলৈ কি ব্যৱস্থা কৰিছে ? যোৱাকালি এজন বিদ্যুৎস্পৃষ্ট হৈ এজন মানুহৰ মৃত্যু হৈছে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ ।

**শ্ৰীবিমল বৰা (মন্ত্ৰী, শক্তি ইত্যাদি) ঃ** এইক্ষেত্ৰত আমি বিশেষ উদ্যোগ গ্ৰহণ কৰিম আগন্তুক দিনত। আগতে যিমান এল টি লাইন আছিল , যোৱা ৫ বছৰত তাৰ সংখ্যা বহুগুনে বাঢ়ি গ'ল। সেই কাৰণে ট্ৰেন্সফৰ্মাৰ যেনেধৰণে স্থাপন কৰিব লাগে তাৰ তুলনাত সেইটো হোৱা নাছিল। সমগ্ৰ অসমত আগন্তুক দিনত প্ৰায় ৮০০০ নতুন ট্ৰেন্সফৰ্মাৰ স্থাপন কৰাৰ বাবে আমাৰ চিন্তা চৰ্চা চলি আছে। নিশ্চয় সন্মানীয় বিধায়কগৰাকীৰ সমষ্টিটো নতুন ট্ৰেন্সফৰ্মাৰ পাব।

**মাননীয় অধ্যক্ষ ঃ** বিনোদ হাজৰিকা ।

**শ্ৰীবিনোদ হাজৰিকা (লাহোৱাল) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে, ইতিমধ্যে দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি আঁচনিৰ অধীনত বহু গাঁও, বাগিছাত বৈদ্যুতিকৰণ হৈছিল। সৌভাগ্য আঁচনিখন হ'ল কিন্তু আমি দেখা পাইছো বহু ঠাইত খুঁটাহে লাগি আছে, তাৰ নাই। এই আধৰুৱা কামবিলাক কেতিয়া সম্পুৰ্ণ কৰিব মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীবিমল বৰা (মন্ত্ৰী, শক্তি ইত্যাদি) ঃ** বিধায়ক ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে, হয় সমগ্ৰ অসমত এনেধৰণৰ কিছু তাঁৰ নোহোৱা বিদ্যুতৰ খুঁটা আছে। কিছুমান চুক-কোণ থাকি যোৱা ভিলেজ বা থাকি যোৱা হাউচহোল্ড আছে সেইবিলাক বৈদ্যুতিকৰণ কৰাৰ বাবে আমাৰ প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছে। অনুমোদন পালে সেই কামবিলাক আমি কৰিম। মই আশা কৰিছো সোনকালে আমি অনুমোদন লাভ কৰিম। গুণগত আৰু সুলভ বিজুলী যাতে ৰাইজে পায় তাৰ ব্যৱস্থা আমি নিশ্চয় কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ- এতিয়া কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** শিৱসাগৰ জিলা বা অসমৰ প্ৰতি জিলাত ১১ কে ভি এ বা ৩৩ কে ভি এ ট্ৰেন্সফৰ্মাৰ বহুৱাব লাগে। এইটো অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু অধ্যক্ষ মহোদয় বিদ্যুতৰ বিলো দিব লগা হয়। আমি দেখিছো যে ইতিমধ্যে চৰকাৰে কিছু সিদ্ধান্ত লৈছে। বিদ্যুৎ সংযোগও কৰ্ত্তন কৰিছে, আমি ভাল পাইছো। কিন্তু আমি দেখা পাইছো যে, ১৩-০৬-২০২১ তাৰিখে এম ডিৰ পৰা এখন অৰ্ডাৰ ওলাইছে। তাত প্ৰতিজন কৰ্মচাৰীকে বিল দিয়াৰ প্ৰমান বা এন ও চি নিদিলে কোৱা হৈছে দৰমহা ৰিলিজ কৰি দিয়া নহ'ব। ইয়াৰ কাৰণটো কি মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী কমলাক্ষ দে পুৰকায়স্থ। মাননীয় বিধায়ক আপোনাৰ, এইটো প্ৰশ্ন-উত্তৰ হে। তিনিটা মাত্ৰ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিৱসাগৰ জিলাত বা

প্ৰত্যেক খন জিলাত 33/11 KV ট্ৰান্সফ'ৰ্মাৰ বহাব লাগে। হয় সঁচা, প্ৰত্যেকখন জিলাৰ প্ৰত্যেকটো সমষ্টিত ট্ৰান্সফ'ৰ্মাৰ বহাব লাগে। এইটো অস্বীকাৰ কৰিব নোৱাৰি।

অধ্যক্ষ মহোদয়, লগে লগে আমাৰ বিলো দিব লগা হয়। আমি যদি বিদ্যুৎ ব্যৱহাৰ কৰো তেনেহ'লে আমি বিল দিবই লাগিব। ইতিমধ্যে চৰকাৰে কিছুমান সিদ্ধান্ত লৈছে আৰু কিছুমান লাইন কৰ্তন কৰা হৈছে। আমি ভালেই পাইছো। কথাটো হৈছে এনেকুৱা, আমি অৱগত যে ১৩-০৬-২০২১ তাৰিখে এম ডিৰ ফালৰ পৰা এখন অৰ্ডাৰ ওলাইছে যে প্ৰত্যেক জন চৰকাৰী বিষয়াক কোৱা হৈছে যে যদি আপোনালোকে বিল নিদিয়ে তেনেহ'লে আপোনালোকৰ দৰমহাটো ৰিলিজ কৰা নহ'ব। ইয়াৰ কাৰণটো কি মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এইটো হৈ গ'ল। এইটো Debate নহয়। Supplementary প্ৰশ্ন। যিটো আগৰ প্ৰশ্ন তাৰ উত্তৰটো দিয়ক। এদিন আপোনাৰো প্ৰশ্ন আহিব। আপোনাৰ যদি কিবা আছে আপুনি মন্ত্ৰী ডাঙৰীয়াক লিখিত দিয়ক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক চৰকাৰী অফিচ আছে সেই বিলাকৰ কোটি কোটি টকা বিল জমা হৈ আছে। এনেকুৱা এটা ক'ভিড পৰিস্থিতিৰ সময়ত চৰকাৰী বিষয়া সকলৰ ওপৰত হেঁচা প্ৰয়োগ কৰাৰ কাৰণটো মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী আপুনি যিকোনো এটাৰ উত্তৰ দি দিলেই হব।

**শ্ৰী বিমল বৰা (মন্ত্ৰী, শক্তি ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই ঠিক কথাই কৈছে যে বিল আমি নিদিওঁ, সেই কথাটো প্ৰমাণ কৰিয়েই আপুনি কথাটো কৈছে। সেইটো হয়। আমাক 24x7 বিজুলী লাগে। গুণগত বিজুলী লাগে। অসমৰ ৰাইজৰ আশা আৰু সেইটো আমাৰ দায়িত্ব, এখন দায়িত্বশীল চৰকাৰৰ। সেই কাৰণে মাননীয় মুখ্যমন্ত্ৰীৰ দায়িত্ব লৈয়েই মহোদয়ে বিজুলী ভৱনত উপস্থিত হৈছে। তেখেতে সূক্ষ্মভাৱে গোটেই বিষয়বিলাক পৰ্য্যালোচনা কৰিছে। কথাখিনি জানি লৈ। যোৱা দীৰ্ঘদিন ধৰি আমাৰ এই তিনিটা কোম্পানী APDCL, APGCL, AGCL এ অসমৰ ৰাইজক গুণগত বিজুলী আৰু সুলভ বিজুলী আমি যোগান ধৰাত কিয় ব্যৰ্থ হৈছো সেই কাৰণসমূহ তেখেতে জানিব বিচাৰিছে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, গোটেই কথাৰ বিৱৰণী দিব নালাগে। এইটো প্ৰশ্নোত্তৰ কাল। গতিকে এতিয়া আপোনাৰ **১০** মিনিট হৈ গ'ল এটা প্ৰশ্নতে। to the point যিটো কৈছে সেইটো আপুনি দি দিয়ক। বাকী কিবা কথা থাকিলে সন্মানীয় সদস্যই লিখিত বিচাৰিব। পিছত আপুনি হাউচত দি দিব।

**শ্ৰী বিমল বৰা (মন্ত্ৰী, শক্তি ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইকাৰণে যাতে আমি শক্তি খণ্ডটো শক্তিশালী কৰিব পাৰো, তাৰ কাৰণে কিছু সংস্কাৰমূলক কাম আগন্তুক দিনবিলাকত কৰিম। তাৰ কাৰণে আমাক ট্ৰান্সফ'ৰ্মাৰ লাগে। ইতিমধ্যে আমি হিচাব-নিকাচ কৰি গম পাইছো যে আঠ হাজাৰ ট্ৰেন্সফ'ৰ্মাৰ আমাৰ দৰকাৰ আৰু আমাৰ ষ্টকত প্ৰায় পোন্ধৰ শ ট্ৰান্সফ'ৰ্মাৰ এতিয়া আছে। তাৰে Repaireble ট্ৰেন্সফ'ৰ্মাৰ দু হোজাৰ আমি ৰিপিয়াৰ কৰিম আৰু AIIB Project ৰ জৰিয়তে আমি নতুনকৈ Procrument কৰিম। চাৰি হেজাৰ ট্ৰেন্সফ 'ৰ্মাৰ আৰু মই ভাৱো সেই আঠ হেজাৰ ট্ৰান্সফ'ৰ্মাৰে সমগ্ৰ অসমত আপোনালোক প্ৰত্যেকজন বিধায়কৰ নিজ নিজ অঞ্চলত ভাল বিজুলী পাবৰ কাৰণে যথেষ্ট লাভ দায়ক হ'ব আৰু যিটো আপুনি কৈছে যে চৰকাৰী কৰ্মচাৰী সকলৰ দৰমহাত কিয় এন অ' চি বিচৰা হৈছে? চাওঁক, এইটোতো ৰাইজৰ

অনুষ্ঠান, অসমৰ ৰাইজৰ অনুষ্ঠান, চৰকাৰী বিষয়া-কৰ্মচাৰী সকলো আমাৰ সমাজৰ একো একোজন ব্যক্তি। তেওঁলোকক আমাৰ আহ্বান এইটো কাৰণে জনোৱা হৈছে যে প্ৰত্যেক মাহত আমাৰ যি ডিমাণ্ড থাকে যেনেধৰণে ৰাজহ সংগ্ৰহ হ'ব লাগে তাৰ পৰাই শতকৰা চল্লিশ শতাংশ পঞ্চাশ শতাংশ মানুহে বিল পৰিশোধ কৰে। গতিকে তাৰ উদ্যোগটো ল'বৰ কাৰণে আমাৰ সমাজৰ যিসকল লোকক আমি সকলোৱে মানি চলো সেইসকল হৈছে কৰ্মচাৰী, তেখেতসকলে যাতে সমাজখনত এটা নিদৰ্শন দাঙি ধৰে। বেলেগ কোনো উদ্দেশ্য জড়িত হৈ থকা নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া প্ৰশ্ন নং-২। শ্ৰী আশ্ৰাফুল হুছেইন ডাঙৰীয়াই কওঁক।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মোৰ প্ৰশ্ন এটা আছিল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া তিনিজন গুচি গ'ল। আপুনি অন্য portion ত ক'ব পাৰিব। শ্ৰীআশ্ৰাফুল হুছেইন ডাঙৰীয়াই ক'ব।

**শ্ৰী বিমল বৰা (মন্ত্ৰী, শক্তি ইত্যাদি বিভাগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আশ্ৰাফুল হুছেইন, (Supplementary question.)

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয় এইবাৰ নতুন, আমিও নতুন আৰু বিধান সভাৰ মজিয়াত প্ৰথম বাৰলৈ আহি প্ৰথমবাৰ এটি গুৰুত্বপূৰ্ণ বিষয়ত কিছু কথা আলোচনা আগবঢ়াব বিচাৰিছো। নিশ্চয় জানে যে চেঙা সমষ্টি এটা পশ্চাদপদ সমষ্টি আৰু দেখা গৈছে যে বৈদ্যুতিকৰণৰ ক্ষেত্ৰতো আমাৰ সেই ছবিয়েই ভাঁহি উঠিছে। যদি এটা সমষ্টিত সাত হেজাৰ ২৯৫ টা পৰিয়াল আজিৰ দিনতো বৈদ্যুতিকৰণৰ বাহিৰত থাকে এইয়া নিশ্চিত।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কি বিচাৰছে সেই প্ৰশ্নটো কওঁক।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰায় পঁয়ত্ৰিশ-চল্লিশ হাজাৰ জনসংখ্যা আজিও বিদ্যুতৰ পোহৰৰ পৰা বাহিৰত। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে grid collection ৰ ক্ষেত্ৰত যেতিয়া DPR বনোৱা হয়, তেতিয়া মূলতঃ কেনেধৰণৰ methodology ব্যৱহাৰ কৰা হয়?

**মাননীয় অধ্যক্ষ ঃ** এতিয়া যিটো প্ৰশ্ন কৰিছে সেইটোৰ উত্তৰ দিয়ক। গোটেইবিলাক প্ৰশ্ন আজিয়েই কৰিলে এতিয়াই শেষ হৈ যাব। গতিকে সন্মানীয় মন্ত্ৰী ডাঙৰীয়া তেখেতে যিটো এটা Supplementary প্ৰশ্ন সুধিলে সেইটোৰ উত্তৰ দিয়ক। পৰৱৰ্তী সময়ত আপুনি Supplementary কৰিব পাৰিব।

**শ্ৰী বিমল বৰা (মন্ত্ৰী, শক্তি ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডাঙৰীয়াৰ যিটো প্ৰশ্ন সেই প্ৰশ্নৰ ইতিমধ্যে আমি দাখিল কৰিছো। কিন্তু তেখেতে কৈছে যে grid কেনেধৰণে DPR বনোৱা হয়। যিবিলাক অঞ্চলত সাধাৰণতে আপোনাৰ যিটো সমষ্টি তাত বহুতো চৰ আছে আৰু চৰ থকাৰ কাৰণে তালৈকে বিদ্যুৎ পৰিবাহী যি ব্যৱস্থা, আমি সেই ব্যৱস্থা লৈ যাবৰ কাৰণে যথেষ্ট সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। সেইকাৰণে তাত off grid ৰ দ্বাৰা কৰা হয় আৰু grid ৰ জৰিয়তে আপোনাৰ সমষ্টিত প্ৰায় তিনি হাজাৰ আঠাইশটা হাউচ হোল্ডক আমাৰ দিবলৈ বাকী আছে আৰু সেইখিনি কাম ইতিমধ্যে কৈছে যে আমাৰ যি এডিশ্যনেল সৌভাগ্য ইতিমধ্যে আমি অনুমোদনৰ কাৰণে দিল্লীলৈ পঠিয়াইছো। সেই অনুমোদন পালে সেই কামখিনি আপোনাৰ সমষ্টিতো কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া পৰৱৰ্তী প্ৰশ্ন।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় মন্ত্ৰী মহোদয়, এইক্ষেত্ৰত আপুনি যি উত্তৰ দিছে যে বেছিভাগেই চৰ অঞ্চল। কিন্তু দেখা পাইছো অন্যান্য সমষ্টিৰ চৰ অঞ্চল সমূহত টাৱাৰ লাইনৰ জৰিয়তে হ'লেও তাত বিদ্যুৎ সৰবৰাহ কৰা হৈছে। এইক্ষেত্ৰত চেঙা সমষ্টিতো সেই কথাটো চিন্তা-ভাৱনা কৰিবলৈ আহ্বান থাকিল। একে সময়তে releted to question no- d এই কথাটোকো আপোনাক উনুকিয়াই থব বিচাৰিছো যে এক হাজাৰ ত্ৰিশ খন গাঁও এতিয়াও Non Cadastral হৈ আছে আৰু প্ৰায় সংখ্যক গাঁৱত এনেধৰণৰ বিদ্যুতৰ সমস্যা আছে আৰু আপোনালোকে নিশ্চয় জানে যে ৫৭ বছৰে ভূমিৰ জৰীপ হোৱা নাই। গতিকে Non Cadastral গাঁৱত থকা এইক্ষেত্ৰত জিম্মেদাৰী চৰকাৰ। একেদৰে question no-f ৰ লগত releted যিটো মোৰ কথা সেইয়া হ'ল যে hazard যিটো বিপদ সংকুলভাৱে তাঁৰ সমূহ ওলমি আছে আৰু দেখা পাইছো যে ট্ৰান্সফৰ্মাৰ সমূহো বহুত দ ঠাইত আছে। এইক্ষেত্ৰত চৰকাৰে এটা নিৰ্দ্দিষ্ট পেকেজ ঘোষণা কৰি হ'লেও সেইসমূহ বিপদ সংকুল পৰিবাহী তাঁৰসমূহ কেনেকৈ ওখ কৰিব পাৰি আৰু plastic coated তাঁৰ কেনেকৈ ব্যৱহাৰ কৰিব পাৰি এইক্ষেত্ৰত চৰকাৰে চিন্তা-ভাৱনা কৰাটো প্ৰয়োজন আৰু আমি এইক্ষেত্ৰত চৰকাৰৰ পৰা যি সদুত্তৰ পাব লাগিছিল আৰু কিমান দিনৰ ভিতৰত বা কেনেকুৱা ধৰণৰ পেকেজ তেওঁলোকে গ্ৰহণ কৰিছে সেইক্ষেত্ৰত কিন্তু তেওঁলোকে তাৰ কোনো নিৰ্দ্দিষ্ট ৰূপৰেখা ইয়াত দাঙি ধৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কি বিচাৰে আপুনি প্ৰশ্নটো কৰক।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় মন্ত্ৰী মহোদয়, গতিকে আমি বিচাৰো যে এই বিপদ সংকুল বিদ্যুৎ পৰিবাহী তাঁৰসমূহ কিমান দিনৰ ভিতৰত আৰু কোন পেকেজৰ জৰিয়তে এই সমস্যাটো সমাধান কৰিব তাৰ এটা সদুত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, উত্তৰ দিয়ক।

**শ্ৰী বিমল বৰা (মন্ত্ৰী, শক্তি ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়, বিভিন্ন পথ আৰু মথাউৰি নিৰ্মাণ কৰাৰ পিছত এই যি খুঁটাৰ উচ্চতা সেই উচ্চতা কমি আহে আৰু সেই উচ্চতা বৃদ্ধি কৰিবৰ কাৰণে যি সংশ্লিষ্ট বিভাগে সেই কামসমূহ কৰে পথ নিৰ্মাণেই হওঁক বা মথাউৰি নিৰ্মাণেই হওঁক তেওঁলোকে আমাৰ বিদ্যুৎ বিভাগক বিপদ সংকুল তাঁৰ সমূহৰ উচ্চতা বৃদ্ধি কৰিবৰ কাৰণে যিসমূহ প্ৰয়োজনীয় ধন সেই ধনৰ জোগাৰ তেওঁলোকে ধৰে। কিন্তু আমাৰ বিদ্যুৎ বিভাগে যিসমূহ অতি বিপদ সংকুল অৱস্থাত থাকে নিজাববীয়াকৈ সেই কামসমূহ আমি সম্পন্ন কৰো আৰু আপোনাৰ সমষ্টিতো তেনেধৰণৰ প্ৰায় মথাউৰি ৩০ টা মান অঞ্চলত বিপদ সংকুল অৱস্থাত আছিল আৰু সেইখিনি আমাৰ বিভাগৰ ফালৰ পৰা কৰা হৈছে। বাকী অন্যান্য যিসমূহ কাম, যিসমূহ উচ্চতা বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা আছে সেইখিনি সংশ্লিষ্ট বিভাগসমূহে বিদ্যুৎ বিভাগৰ হাতত ধন জমা দিয়াৰ পিছতহে সেইখিনি কাম আমি কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই কওঁক।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা কথা এৰাই থৈ গৈছো।

**মাননীয় অধ্যক্ষ ঃ** হৈছে হৈছে। আপুনি ইতিমধ্যে দুটা Supplementary question কৰিলেই।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো সংযোগ কৰাটো এই কাৰণেই প্ৰয়োজন যে আজি বানপানীৰ সময়ত আমি ASDMA ৰ পৰা প্ৰতি দিনে মেছেজ পাই আছো বিদ্যুৎ পৰিবাহী তাঁৰৰ পৰা যি সময়ত বানপানী হয় নাওঁ চলাচলৰ ক্ষেত্ৰত অসুবিধা হয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি শুনকচোন। মই বুজি পাইছো আপোনাৰ মনৰ কথা। কিন্তু এইটো

প্ৰশ্নোত্তৰ কাল। বাকীখিনি কথা পাতিবলৈ বহুত সময় আছে। পিছতো মন্ত্ৰী ডাঙৰীয়াক লগ কৰি এই কথাখিনি পাতিব পাৰিব। এতিয়া অখিল গগৈ ডাঙৰীয়াই কওঁক। কিন্তু আপোনাৰ প্ৰশ্নটো চেঙা সমষ্টিৰ লগত সম্পৰ্ক থকা হ'ব লাগিব।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগৰ প্ৰশ্নটো আছিল....

**মাননীয় অধ্যক্ষ ঃ** আগৰ প্ৰশ্নটো আৰু নাহে। এইটো চেঙা সমষ্টিৰ ইছ্যু। ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়া।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ঠিক আছে। মই চেঙা সমষ্টিৰ বিষয়ে কৈ আছো। আপুনি মোক কথাটো সম্পূৰ্ণ কৰিবলৈ দিয়ক। চেঙা সমষ্টিৰ যিমানকেইটা পৰিয়ালক এতিয়ালৈকে বিদ্যুৎ সংযোগ কৰিবলৈ বাকী আছে তেনেধৰণে শিৱসাগৰত...

**মাননীয় অধ্যক্ষ ঃ** গোটেই অসমত বহুত ধৰণৰ সমস্যা আছে। আমাৰ প্ৰশ্নটো চেঙা সমষ্টিৰ ইছ্যু। মই কৈছোৱেই ৰুলটোৱেই সেইটো। এইটো ভাষণ নহয়, এইটো প্ৰশ্নোত্তৰ কাল। আপুনি চেঙা সমষ্টিৰ বিষয়ে কৰক। আপুনি শিৱসাগৰলৈ কিয় লৈ গৈছে?

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চেঙা সমষ্টিৰ যিখিনি পৰিয়ালক এতিয়ালৈকে বিদ্যুৎ সংযোগ কৰিবলৈ বাকী আছে তাৰ উপৰিও আমি দেখিছো যে চেঙা সমষ্টিৰ যিটো load demand আছে, pick hour load ৰ যিটো demand আছে, সেই demand অনুসৰি এতিয়ালৈকে ষ্টেশ্যন বিলাক সম্পূৰ্ণ বনোৱা হোৱা নাই। অতিৰিক্ত কিছুমান ষ্টেশ্যন বনোৱাৰ অত্যন্ত প্ৰয়োজন আছে। যাৰ ফলস্বৰূপে যেনেকৈ কিছুমান গাঁৱত এতিয়ালৈকে electrification হোৱা নাই তেনেকৈ load shading ও এতিয়ালৈকে বহুত ঠাইত হৈ আছে আৰু বহুত ঠাইত ভল্টেজ কম হৈ আছে। গতিকে শিৱসাগৰৰ লগতে সমগ্ৰ অসমৰ প্ৰতিটো পৰিয়ালত বিদ্যুৎ যোগান কৰা কাম কেতিয়া শেষ কৰিব? প্ৰত্যেক সমষ্টিতে পূৰ্ণ ৰূপৰ voltage ত 24x7 বিদ্যুৎ যোগান ধৰাৰ চৰকাৰৰ যি প্ৰতিশ্ৰুতি আছিল, সেই প্ৰতিশ্ৰুতি আৰু বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত অসমক কেতিয়া স্বাৱলম্বী কৰা হ'ব, এই প্ৰশ্নৰ উত্তৰ আমাক লাগে। APDCL ৰ বিদ্যুৎ বিতৰণ, বিদ্যুৎ বিতৰণত ক্ষতি হ্ৰাস, উৎপাদনত স্বাৱলম্বিতাৰ ৰ'ডমেপ আছেনে? তেনে ৰ'ডমেপ এখন সকলো বিভাগৰ কাৰ্যালয়ত থকা জৰুৰী নহয়নে?

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী বিমল বৰা (শক্তি বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়কগৰাকীয়ে আগৰ প্ৰশ্নখিনি ভালদৰে মনোযোগ নিদিলে চাগে, কাৰণ voltage সম্পৰ্কত মই ইতিমধ্যে কৈছোৱেই।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে আৰু ক'ব নালাগে।

ভৰত নৰহ ডাঙৰীয়া।

**শ্ৰী ভৰত নৰহ (নাওঁবৈচা)ঃ** অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো বিজুলীৰ লাইনটো... (ব্যৱধান)

**মাননীয় অধ্যক্ষঃ** আপুনি চেঙা সমষ্টিৰ লগত জড়িত কথা কওঁক।

**শ্ৰী ভৰত নৰহ (নাওঁবৈচা)ঃ** অধ্যক্ষ মহোদয়, Rule-34 (2) ত লিখা হৈছে যে প্ৰশ্নটো elaborate কৰিব পাৰে। চেঙা সমষ্টিৰ হ'লেও প্ৰশ্নখিনি বিজুলী সম্পৰ্কত, principal topic টোৱেই হ'ল বিজুলী।

মই জানিব বিচাৰিছো যে কিমান শতাংশ বিল দিলে বিজুলী নাকাটে আৰু কিমান শতাংশ বিল নিদিলে বিজুলী কাটি দিয়া হয়? কিয়নো শেহতীয়াকৈ এনেকুৱা হৈছে যে, নাওঁবৈচাৰ এখন গাঁৱত ৯০% লোকে বিল দিয়াৰ পিছতো বিজুলী কাটি দিয়া হৈছে।

**মাননীয় অধ্যক্ষঃ** এইটো চেঙা সমষ্টিৰ লগত জড়িতপ্ৰশ্ন নহয়।

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মোৰ তৃতীয়বাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ সৌভাগ্য হৈছে। আগতেও দেখিছো যে এটা সমষ্টিৰ যদি প্ৰশ্ন Õ±ËÿÃË ÆËÂÿÃ¡ supplementary প্ৰশ্ন সমূহো সেই সমষ্টিৰ লগতে জড়িত হয়। আগতে, সন্মানীয় বিৰোধী পক্ষৰ যথেষ্ট সংখ্যক সদস্য মন্ত্ৰী আছিল। তেওঁলোকে বা আগৰ অধ্যক্ষ সকলে কৰা নিয়ম আমি পিছফালে বহি প্ৰত্যক্ষ  কৰিছিলো। যিহেতু মন্ত্ৰী গৰাকী এনেধৰণৰ প্ৰশ্নৰ বাবে সাজু হৈ নাহে, গতিকে অন্য সময়ত বা অন্য device ত প্ৰশ্ন আনিলে আমাৰ উত্তৰ দিয়াত কোনো সমস্যা নাই।

**শ্ৰী ভৰত নৰহ (নাওঁবৈচা)ঃ** অধ্যক্ষ মহোদয়, Rule-34 (2) অনুসৰি মূল প্ৰশ্নটো চেঙা সমষ্টিৰ হ'লেও বিষয়টো বিজুলী সংক্ৰান্তত হয়। মই বিজুলী বিষয়ৰ বাহিৰত প্ৰশ্ন কৰিব নোৱাৰো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে যিটো কথা কৈছে সেই সংক্ৰান্তত এটা কথা ক'ব বিচাৰিছো যে আমি আজি প্ৰশ্ন কৰিলেই মন্ত্ৰীয়ে যে সকলো উত্তৰ দিব লাগিব সেইটো Rule এ কোৱা নাই। Rule এ কৈছে যে- আজি আপুনি যিটো প্ৰশ্ন কৰিছে, মই আজি প্ৰস্তুত নহয়, ইয়াৰ  উত্তৰ মই পিছত দিম- এনেকুৱা provision Rule ত আছে। গতিকে তেনেধৰণৰ প্ৰশ্ন কৰিলেও যদি উত্তৰ দিবলৈ অপ্ৰস্তুত, তেন্তে উত্তৰটো  পিছতো দিব পাৰে, এনেকুৱা কথা নহয় যে আজিয়েই উত্তৰ দিব লাগিব।  কিন্তু প্ৰশ্নটো কৰিলে কথাখিনি অন্ততঃ মন্ত্ৰী ডাঙৰীয়াৰ অৱগত হয়। সেইকাৰণে ভৰত নৰহ ডাঙৰীয়াই প্ৰশ্নটো কৰিছে। অধ্যক্ষ মহোদয়, এইটো এটা জ্বলন্ত সমস্যা যে বিল নিদিয়াকৈ বিজুলী কাটি দিছে  আৰু এই সমস্যাটো চেঙাৰ লগতে গোটেই অসমৰ আৰু সেই কথাটোত পাইকাৰী জৰিমনা হৈছে এই কথাটোকে উপস্থাপন কৰিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী, অসম)ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোটেই প্ৰশ্নটো হৈছে- About the rights of the  Members. আজি যদি আমি এটা প্ৰশ্নতে গোটেই সময়খিনি শেষ কৰি দিওঁ, বিৰোধী পক্ষৰ কাৰণে  প্ৰশ্নটোৱেই হৈছে আটাইতকৈ ডাঙৰ ব্যৱস্থা। আজি এতিয়ালৈকে ৩৫ মিনিট গুছি গ'ল, we are not even completing two questions. এতিয়া যদি চেঙাৰ পৰা নাওঁবৈচা যায়, নাওঁবৈচাৰ পৰা জোনাই যায়, আজি অকল electricity ৰ ওপৰতে আলোচনা হ'ব। আজি গৃহ বিভাগৰ ওপৰতো মানুহে জানিব আহিছে। সেইকাৰণে মোৰ কথাটো হ'ল আপোনালোকে BAC ত বহি ঠিক কৰি লওঁক যে এটা প্ৰশ্নৰ কিমানটা supplementary আপোনালোকে কৰিব, দুটা নে তিনিটা নে চাৰিটা। তাৰ পিছত চৰকাৰৰ কোনো সমস্যা নাই। মাননীয় ৰকিবুল হুছেইন ডাঙৰীয়াই কোৱাৰ দৰে লগে লগে উত্তৰ দিব নোৱাৰিলে আমি পিছত দিম। কিন্তু, অধ্যক্ষ মহোদয়ৰ সৈতে আপোনালোকে আলোচনা কৰি লওঁক যে এটা প্ৰশ্নত কিমান সময় আপোনালোকে ল'ব। কাৰণ, বাকী সদস্য সকলেও অপেক্ষা কৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই কৈ আছো। এই বিষয়ত আৰু বিতৰ্ক হৈ থাকিলে নহ'ব। ইয়াত supplementary ৰ ক্ষেত্ৰত স্পষ্টকৈ লিখা আছে- 'Any member when called by the Speaker, may ask a supplementary question for the purpose of further elucidating any matter of fact regarding which an answer has been given.' চেঙা সমষ্টিৰ ক্ষেত্ৰত যিটো উত্তৰ দিছে সেই উত্তৰৰ ভিতৰত যদি কিবা বিসংগতি থাকে, তেন্তে এই উত্তৰৰ লগত সংগতি ৰাখি আপুনি supplementary কৰিব পাৰে।

এতিয়া শ্বেৰমান আলী আহমেদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, পোনপ্ৰথমে মই মাননীয় মন্ত্ৰী মহোদয়ে প্ৰথমবাৰৰ বাবে মন্ত্ৰী হৈ বিদ্যুতৰ ক্ষেত্ৰত যেনে ধৰনৰ তৎপৰতা দেখুৱাইছে, তাৰ বাবে ব্যক্তিগত ভাৱে মই অতি সুখী আৰু তেখেতক মই ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, চেঙা আৰু বাঘবৰ ওচৰা-ওচৰি সমষ্টি। ২০১৭-১৮ চনত চেঙাৰ ৩ খন গাঁও, বাঘবৰৰ ৯ খন গাঁও, মুঠ ১২ খন গাঁৱক powerline কৰি বিজুলী যোগান ধৰা হৈছিল। কিন্তু, এই ১২ খন গাঁৱত, যাৰ powerline একেই, দুধনৈৰ পৰা আহে, তাত কাৰেন্ট প্ৰায়ে নাথাকে, ২৪ ঘন্টাৰ ১ ঘন্টা বা ২ ঘন্টাহে থাকে, বাকী ২২ ঘন্টা নাথাকে। গতিকে, অধ্যক্ষ মহোদয়, এই চৰাঞ্চলত যেতিয়ালৈ Sub-Station স্থাপন কৰা নহ'ব, তেতিয়ালৈকে পৰ্যাপ্ত বিজুলী নাপাব। ঠিক একেদৰে, মইনবড়ী সমষ্টিটো বিজুলী প্ৰায়েই নাথাকে। অধ্যক্ষ মহোদয়, চেঙাৰ এই ৩ খন গাঁও আৰু মোৰ সমষ্টিৰ ৯ খন গাওঁৰ saturation হোৱা নাই। গতিকে, ইয়াৰ saturation কৰিব লাগে।

**শ্ৰী বিমল বৰা (শক্তি বিভাগৰ মন্ত্ৰী)ঃ** বিধায়ক ডাঙৰীয়া আপুনি ঠিকেই কৈছে। বহু অঞ্চলত এতিয়াও voltage আৰু current ৰ availability যথেষ্ট কম হৈ আছে। তাৰ বাবে ইতিমধ্যে আপোনালোকক জনোৱা হৈছে যে তথ্য অনুসৰি প্ৰায় ৪ লাখ ৮৩ হাজাৰ ৩৪৩ টা ঘৰত বিদ্যুৎ সংযোগ দিবলৈ বাকী আছে। সেয়েহে, 'সৌভাগ্য'ৰ বাবে অতিৰিক্ত প্ৰায় ২ হাজাৰ কোটি টকাৰ প্ৰাক্কলন প্ৰস্তুত কৰি অনুমোদনৰ বাবে আমি পঠিয়াইছো। voltage ৰ সমস্যাৰ ক্ষেত্ৰত আমি চিন্তা -চৰ্চা কৰিছো। আপোনাৰ সমষ্টিৰ উপৰিও মানকাছাৰ, হাটশিঙিমাৰী, কৰিমগঞ্জত, টিহু ইত্যাদি বিভিন্ন অঞ্চলত Sub-Station ৰ প্ৰয়োজন আছে আৰু তাৰ বাবে AIIB ৰ অধীনত বহুখিনি Sub-Station আমি ইতিমধ্যে নিৰ্মাণ কৰিছো আৰু কিছু নিৰ্মাণৰত।¯ আনহাতে, কিছু আঁচনি ইতিমধ্যে প্ৰস্তুত হৈ আছে। গতিকে, মই ভাৱো যে আগন্তুক তিনি-চাৰি বছৰ electrification ৰ কাম কৰিব লাগিব, আপোনাৰ সমষ্টিতো কৰিব লাগিব। গতিকে; এই ক্ষেত্ৰত আপোনালোক সকলোৰে সহযোগিতা বিচাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং-৩- হাফিজ বচিৰ আহমেদ। কিন্তু, তেওঁ ৰফিকুল ইছলামক প্ৰশ্নটো উত্থাপন কৰিবৰ বাবে কৈ গৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য হাফিজ বচিৰ আহমেদ ডাঙৰীয়া উপস্থিত নাই। তেখেতৰ হৈ আপুনি মোক ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছো। তেখেতৰ প্ৰশ্নটো আছিল বগৰীবাৰী থানা সম্পৰ্কে। উত্তৰটো দিছে যে বগৰীবাৰী থানা এতিয়া BTAD ত হৈছে। আগতে BTAD নাছিল এতিয়া বৃহত্তৰ বিলাসীপাৰা অঞ্চলটো non BTAD এলেকাত পৰে। তাত এতিয়া এটা sub থানা দিয়া হৈছে। আতালী আৰক্ষী চকীটো পূৰ্ণ পৰ্য্যায়ৰ থানাৰ কাৰণে আগতেও আমাৰ মাননীয় সদস্য ডাঙৰীয়াই প্ৰশ্ন উত্থাপন কৰিছিল আৰু ধুবুৰী আৰক্ষী অধীক্ষকৰ পৰা তাৰবাবে proposal ও আহিছিল। কিন্তু proposal ত আসোঁৱাহ থকাৰ বাবে সেইটো হয়তো কৰিব পৰা নাই বুলি ইয়াত উত্তৰ দিছে। মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম যে SP ৰ পৰা report টো লৈ অতি কম দিনৰ ভিতৰত আতালী থানাখন পূৰ্ণ পৰ্য্যায়ত থানাৰূপে গঢ়ি তোলাৰ বাবে ব্যৱস্থা ল'বৰ বাবে অনুৰোধ জনাইছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, থানাখনৰ বিষয়ে সন্মানীয়

সদস্য গৰাকীয়ে যিটো আবেদন কৰিছে সেই আবেদন আমি নিশ্চয় চৰকাৰী নীতি-নিয়মৰ মাজেৰে পৰীক্ষা কৰিম আৰু ইয়াৰ বাবে ব্যৱস্থা গ্ৰহন কৰিবলৈ চেষ্টা কৰিম। অসম আৰক্ষীত আমি এটা review কৰি আছো যে ক'ত OP লাগে, ক'ত থানা লাগে, ক'ত বেটেলিয়ন লাগে। যিহেতু আমাৰ চৰকাৰখনে অসমৰ ৰাইজক প্ৰতিশ্ৰুতি দিছিল যে আমি এক লাখ নিবনুৱাক চাকৰি দিম। সেই প্ৰতিশ্ৰুতিৰ লগত সংগতি ৰাখি প্ৰায় ১০ টা নতুন কমাণ্ড বেটেলিয়ন, থানা, OP এই ধৰণৰ কথা বতৰা আমি আলোচনা কৰি আছো। মই বিধান সভাৰ সন্মানীয় সদস্য সকলক অনুৰোধ কৰিম যে আপোনালোকৰ সমষ্টি বিলাকত য'ত য'ত এনেকুৱা প্ৰয়োজনীয়তা আছে তাৰবাবে আপোনালোকে DGP মহোদয়ক লিখিব। Not only BTAD or non BTAD. আমাৰ সীমিত সাধন আৰু সম্পদৰ মাজত যি ধৰণে পাৰো OP বিলাকক থানালৈ upgradation বা non recognized OP ক OP কৰা, Police Station কৰা এই গোটেই ব্যৱস্থা বিলাক আমি এটা পৰ্য্যালোচনা কৰিম। স্বাভাৱিকভাৱে আমাৰ জ্যেষ্ঠ সদস্য হাফিজ বচিৰ আহমেদ ডাঙৰীয়াৰ যিটো পৰামৰ্শ, পৰ্য্যালোচনাৰ সময়ত আমি এই বিষয়টো বিবেচনাৰ বাবে নিশ্চয় আনিম।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ আৰু কিবা আছে নেকি ?

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ-** মাননীয় অধ্যক্ষ, মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো তেখেতে positive reply দিয়াৰ বাবে। গোটেই অসমৰ বাবে মই যিটো দ্বিতীয় প্ৰশ্ন আনিলোহেঁতেন, এখেতে আগতেই কৈছে যে আমি proposal দিব লাগে। মোৰ জনীয়া সমষ্টিৰ ৮ খন গাঁও পঞ্চায়ত বাঘবৰ থানাৰ অন্তৰ্গত। গতিকে জনীয়া আৰু খৰিচালাত এখন Full Police Station ৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ৱাজেদ আলী চৌধুৰী।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী, (দক্ষিণ শালমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দীৰ্ঘদিনীয়া প্ৰশ্ন। যোৱা ৫ বছৰত কমেও ১৫ বাৰ মই এই প্ৰশ্নটো আনিছিলো। মোৰ সমষ্টিৰ তিনিটা জিলা পৰিষদ এলেকা ধুবুৰী জিলাত আৰু এখন জিলা পৰিষদ দক্ষিণ শালমৰা জিলাত। আমাৰ Police District টো দক্ষিণ শালমৰা জিলাত আছে কিন্তু civil district ধুবুৰী জিলাত আছে। মই পূৰ্বৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াকো এই বিষয়ত দৰ্খাস্ত দিছিলো। বগৰীবাৰী circle ৰ লগতে মোৰ এৰিয়া। একেটা civil circle. আজি মই উত্তৰ পাইছো যে অতি সোনকালে এইটো notification হ'ব। এইটো হ'লে ভাল হয়। কিন্তু নতুন থানা হিচাপে আমাৰ বগৰীবাৰী অৰ্থাৎ বিলাসীপাৰা মহকুমাত আমাৰ বন্দিহানা outpost. এই outpost টো পৰিছে নদীৰ দক্ষিণ পাৰৰ ফকিৰগঞ্জ থানাৰ under ত। গতিকে চৰকাৰে যদি নতুন থানা কৰিব বিচাৰিছে আপোনাৰ জৰিয়তে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে আমাৰ বন্দিহানা outpost টো থানালৈ উন্নীত কৰিব লাগে।

**ড°হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ওয়াজেদ আলী চৌধুৰী ডাঙৰীয়াই যিটো ধুবুৰী আৰু দক্ষিণ শালমৰাৰ মাজত jurisdiction ৰ কথা ক'লে এই ক্ষেত্ৰত লিখিত প্ৰশ্নৰ উত্তৰ আহিছে। তথাপিও মই সন্মানীয় সদস্য গৰাকীক অনুৰোধ জনাইছো মোক এখন কাগজত এই কথাটো লিখি দিব যাতে মই লগে-লগে notification ৰ কাৰণে ব্যৱস্থা ল'ব পাৰো।

দ্বিতীয়তে, নামনি অসম আৰু মধ্য অসমত আমি আচলতে থানা সমূহ বনাওঁ crime ৰ লগত সংগতি ৰাখি। য'ত crime বেছি তাত আমি থানা পাতো। সাধাৰণতে মই

বিচাৰো থানাৰ কাৰণে কোনেও আবেদন নকৰক। মোৰ ধাৰণাত আমাৰ সমাজ ব্যৱস্থাটো এনেকুৱা এটা পৰিৱেশত আহিব লাগে য'ত crime ৰ কোনো কথা নাহে। তথাপিও যিসকল বিধায়কে ভাৱে যে তেওঁলোকৰ কোনোবা ঠাইত crime বেছি আছে বা crime হোৱাৰ সম্ভাৱনা বেছি আছে আৰু তাৰবাবে থানাৰ প্ৰয়োজনীয়তা আছে তাৰবাবে প্ৰস্তাৱ আপোনালোকে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান ডাঙৰীয়াক দিলে সেই দিশত পুলিচৰ কিছুমান criteria থাকে । পুলিচত crime, vulnerability কেইবাটাও বস্তু বিবেচনা কৰাৰ পিছত সিদ্ধান্ত লোৱা হয়। যিহেতু আমি এতিয়া নতুন থানা আৰু outpost কৰিবলৈ গৈ আছো, জনীয়াই হওক বা বগৰীবাৰীয়েই হওক বা দক্ষিণ শালমৰা হওক আপোনালোকে প্ৰস্তাৱ দিব আৰু আমি বিবেচনা কৰি চাম। যিহেতু মই জালুকবাৰী থানাৰ বিধায়ক, মোক থানা নালাগে। মোৰ কথাটো হ'ল যে মানুহেই শান্তি আনিব। গতিকে থানাৰ প্ৰয়োজনীয়তা ক'ত ? গতিকে যিসকলে থানা বিচাৰিছে তেওঁলোকে লিখিব। কিন্তু ideal situation টো হৈছে যে থানাৰ কি প্ৰয়োজন, আমি আছোৱেই নহয়।

**শ্ৰী বিদ্যাসিং ইংলেং (ডিফু) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিলে আৰু মই সন্তুষ্ট হৈছো। কিন্তু মোৰ ধনশিৰি নাগালেণ্ড বোৰ্ডাৰ এলেকাত আৰক্ষী চকী হ'ব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ প্ৰশ্নটো BTAD Border ৰ লগত কোনো সংগতি নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী, অসম)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু তেওঁ আজি প্ৰথম প্ৰশ্ন কৰিছে মই তাৰ উত্তৰটো দিব বিচাৰিছো। তেখেতৰ প্ৰশ্নটো অত্যন্ত গুৰুত্বপূৰ্ণ। অসম- নাগালেণ্ড সীমান্তত ধনশিৰি অৱস্থান কৰে। ঠিক এই ধৰণে আমাৰ আন আন সীমান্ত অঞ্চল সমূহত অত্যন্ত মূল্যবান বনজ সম্পদ সমূহ আছে। বিৰোধী দলৰ দলপতি ডাঙৰীয়াইয়ো এটা প্ৰশ্নত BOP ৰ কথা আনিছে। এইবাৰ আমি চিন্তা কৰিছো যে strategic location বিলাকত আমি ১০ টা কামাণ্ড' বেটেলিয়ান নিৰ্মাণ কৰিম। তেওঁলোকৰ বেটেলিয়ানৰ লগতে তেওঁলোকৰ operational jurisdiction এটাও দিম যাতে সীমান্ত অঞ্চলত তেওঁলোকে operation jurisdiction কৰিব পাৰে। গতিকে কাৰ্বি আংলং আৰু নাগালেণ্ড সীমান্তত ধনশিৰিত আমি এটা সিদ্ধান্ত লৈছো আৰু নাগালেণ্ড চৰকাৰকো জনাইছো যে আমি তাত এটা কামাণ্ড' বেটেলিয়ান কৰিম যাতে সমগ্ৰ অসম নাগালেণ্ড সীমান্তত বিশেষকৈ বনজ সম্পদ সমূহক আমি সুৰক্ষা দিব পাৰো। সেয়েহে তাত আমি থানাৰ কথা ভবা নাই। কিন্তু আমি নিশ্চয়কৈ কাৰ্বি আংলঙৰ অসম নাগালেণ্ড সীমান্তত এটা কামাণ্ডো বেটেলিয়ান স্থাপন কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৪, শ্ৰী দিগন্ত বৰ্মন।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ মন্ত্ৰী ডাঙৰীয়াই দিছে কিন্তু কথাটো হ'ল (ঘ) ত আছে যে জ্যোতি বিষ্ণু প্ৰকল্পতো অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ পুৰোধা ব্যক্তিৰ নামত আছে - জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভা। কিন্তু যিটো সাংস্কৃতিক প্ৰকল্প মুকালমুৱাত আছে, সেইটো এতিয়ালৈকে উদ্বোধন হোৱাৰ ৫ বছৰ পাছতো কাৰ্য্যক্ষম হোৱা নাই আৰু repairing হোৱা নাই। এইটো স্থানীয় মুকালমুৱা ক্ৰিকেট ক্লাবে চোৱা-চিতা কৰি আছে। ইয়াৰ উপৰিও মন্ত্ৰী মহোদয়ে কৈছে যে নলবাৰী জিলাৰ উপায়ুক্তৰ তত্বাৱধনাত আছে। কিন্তু মই জনাত উপায়ুক্তই আজিলৈ ইয়াৰ চোৱা-চিতা কৰা নাই। গতিকে মই মাননীয় অধ্যক্ষ

মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে আপুনি উপায়ুক্ত মহোদয়ক নিৰ্দেশ দিয়ক যাতে তেওঁ এই প্ৰকল্পটো ভালদৰে চোৱা-চিতা কৰে।

**মাননীয় অধ্যক্ষ ঃ** যিটো সাংস্কৃতিক প্ৰকল্প মুকালমুৱাত হৈছে সেইটো উদ্বোধন হোৱাৰ পাঁচ বছৰ পিছতো কিন্তু কাৰ্য্যক্ষম হোৱা নাই আৰু ৰি পিয়াৰিং হোৱা নাই। বৰ্তমান সেইটো স্থানীয় ক্ৰিকেট ক্লাব মুকালমুৱাই চাই আছে। মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, নলবাৰী জিলাৰ উপায়ুক্ত মহোদয়ৰ তত্বাৱধানত আছে, কিন্তু মই জনাত উপায়ুক্তই আজিলৈকে চোৱা-চিতা কৰা নাই। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে, আপুনি উপায়ুক্ত মহোদয়ক ভালদৰে কওঁক যাতে এইটো চোৱা-চিতা কৰে।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী, অসম) ঃ** সকলো সন্মানীয় বিধায়ক সকললৈ মই এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে, যিমান জ্যোতি-বিষ্ণু প্ৰকল্প আমাৰ সমষ্টি বিলাকত আছে, তাত আমি সকলো বিধায়ককে মেনেজিং কমিটিৰ প্ৰেচিডেণ্ট কৰাৰ বাবে এখন নটিফিকেশ্যন দিম, যাতে আপোনালোকে নিজে এই প্ৰকল্প কেইটা চাব পাৰে আৰু প্ৰত্যেকটো প্ৰকল্পৰ মেৰামতিৰ কাৰণে এইবাৰ আন-টাইড ফাণ্ডৰ পৰা ১০ লাখ টকাকৈ দি দিম।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী) ঃ** মাননীয় মন্ত্ৰী মহোদয়, বৰ্তমানলৈকে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৰা কোনো স্থায়ী বা অস্থায়ী ব্যক্তিক নিয়োগ কৰা নাই। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ জনাইছো যে, বৰ্তমান সময়ত কঁৰণা মহামাৰীৰ কাৰণে সাংস্কৃতিক শিল্পীসকল বহি আছে। বহু শিল্পীয়ে মুৰ্গী, শাক-পাচলিৰ দোকান দিয়া দেখিবলৈ পোৱা গৈছে। গতিকে তেওঁলোকক অস্থায়ী কৈ হ'লেও নিয়োগ কৰাৰ ব্যৱস্থা কৰক।

**শ্ৰী বিমল বৰা (মন্ত্ৰী)ঃ** জিলা উপায়ুক্তৰ তত্বাৱধানত স্থানীয় ভাৱে এজেঞ্চী এটা ঠিক কৰি চোৱা-চিতাৰ দায়িত্ব দিব লাগে। ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আপোনালোকক জনালে যে, সন্মানীয় বিধায়ক সকলক সভাপতি হিচাপে লৈ এখন সমিতি কৰিলে আৰু সেই সমিতিৰ জৰিয়তে জ্যোতি-বিষ্ণু প্ৰকল্পটো ভৱিষ্যত দিনত চলিব। গতিকে এতিয়া আপোনালোকে সেই দায়িত্ব সুন্দৰ ভাৱে গ্ৰহণ কৰক আৰু আমাৰ যিসকল শিল্পী আছে তেওঁলোককো জড়িত কৰক আৰু সুন্দৰভাৱে আমাৰ জ্যোতি-বিষ্ণু প্ৰকল্প স্থাপনৰ বাবে আমাৰ যি উদ্দেশ্য-পৰম্পৰাগত কলা-সংস্কৃতি, ৰীতি-নীতি সমূহ আমি তাত সংৰক্ষণ,চৰ্চাৰ ইত্যাদি যি কাম কৰিব লাগে, মই ভাৱো বিধায়ক সকলৰ প্ৰত্যক্ষ তত্বাৱধানত আজিৰ পৰা সেই কাম সমূহ ভালদৰে চলিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ফণীধৰ তালুকদাৰ।

**শ্ৰী ফণীধৰ তালুকদাৰ (ভৱানীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,জ্যোতি-বিষ্ণু প্ৰকল্পত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি ১০ লাখ টকাৰ কথা ক'লে সেই ১০ লাখ টকাৰেএকো একোটা প্ৰকল্প নহয়, গতিকে ৫০ লাখ টকাকৈ জ্যোতি-বিষ্ণু প্ৰকল্পৰ ক্ষেত্ৰত অনুমোদন দিলে সুবিধা হয়।

**শ্ৰী বিমল বৰা (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় সদস্য গৰাকীয়ে প্ৰশ্নটো সম্ভৱ ভালদৰে চোৱা নাই, মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰিপিয়াৰিঙৰ কাৰণে ১০ লাখ টকা দিয়াৰ কথা কৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী উৎপল বৰা।

**শ্ৰী উৎপল বৰা (গহপুৰ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক বিশেষভাৱে ধন্যবাদ জনাইছো যে যোৱা বছৰ মোৰ সমষ্টি গহপুৰত জ্যোতি-বিষ্ণু প্ৰকল্পৰ কাৰণে ৫০ লাখ টকাৰ আৱণ্টন পাইছিলো। ইতিমধ্যে কাম আৰম্ভ হৈছে। মই যেতিয়া কাম চলি থকা সময়ত এই প্ৰকল্পটো পৰিদৰ্শন কৰিবলৈ গৈছিলো, তাত কিছু বিসংগতি দেখিবলৈ

পাইছিলো। সেয়ে মই মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো যে প্ৰকল্পটোৰ যিটো অ'ডিটৰিয়াম বনাই আছে সেই অ'ডিটৰিয়ামটোৰ ৫০ লাখ টকাৰ ভিতৰত এটা পাৰ্ট ধৰিছে। তাত কনফাৰেঞ্চ হল, চাউণ্ড চীচটেম ইত্যাদি কেইটামান ডিলিট হৈ আছে। গতিকে মই এইখিনিৰ কাৰণে পিছত ব্যৱস্থা কৰিব নেকি জানিব বিচাৰিছো। যদি বিল্ডিঙটো সম্পূৰ্ণ নহয় তাত চাউণ্ড চীচটেমটো কৰাৰ অসুবিধা হ'ব। গতিকে মন্ত্ৰী মহোদয়ে বিভাগক যদি নিৰ্দেশ দিয়ে যে এই এচটিমেটটো অলপ ৰিকাষ্ট কৰে তেতিয়াহ'লে আমাৰ প্ৰকল্পটো সম্পূৰ্ণ কৰিবলৈ আমাৰ সুবিধা হ'ব আৰু লগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই আনটাইড পুঁজিৰ পৰা মেইটেনেন্সৰ কাৰণে যি টকা দিব বিচাৰিছে, সেইটোৰে যাতে কনষ্ট্ৰাকচনৰ কাম কৰিবৰ কাৰণে অনুমতি প্ৰদান কৰে তাৰ কাৰণে আহ্বান জনাই চৰকাৰক বিশেষভাৱে ধন্যবাদ জনাইছো।

**শ্ৰী বিমল বৰা (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** আপুনি যি পৰামৰ্শ প্ৰদান কৰিছে তাৰ বাবে মই সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ বিষয়া ক আপোনাৰ ওচৰলৈ প্ৰেৰণ কৰিম আৰু আপুনি তেওঁলোকৰ লগত আলোচনা-বিলোচনা কৰি কেনেধৰণে আগবাঢ়িব পৰা যায় সেইখিনি ঠিক কৰি ল'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জ্যোতি-বিষ্ণু প্ৰকল্প মোৰ সমষ্টিত নাই কিন্তু বিষ্ণু ৰাভা অ'ডিটৰিয়াম এটা আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কোৱাৰ দৰে তাতে পইচাটো দিব পৰা যাব নেকি ?

**শ্ৰী বিমল বৰা (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** এই পইচাটো জ্যোতি-বিষ্ণু প্ৰকল্পৰ নামতেই দিয়া হয়, যদি আপোনাৰ তাত তেনেকুৱা ধৰণৰ অ'ডিটৰিয়াম আছে আৰু ৰি পিয়াৰিঙৰ যদি প্ৰয়োজন আছে তেন্তে আমাৰ এইক্ষেত্ৰত বিভিন্ন শিতান আছে, সেই শিতানত আমি বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৫ শ্ৰী ৰমাকান্ত দেউৰী।

**শ্ৰী বিমল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত আছে।

**শ্ৰী ৰমাকান্ত দেউৰী (মৰিগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দুটা প্ৰশ্ন আছিল, সেই দুটাৰ উত্তৰ মই বিভাগীয় ভাৱে পাইছো। এটা আছিল অসম চৰকাৰৰ সৌভাগ্য আঁচনিৰ অধীনত কিমানখন গাঁৱত বিদ্যুৎ সংযোগ স্থাপন কৰা হ'ল ? অৱশ্যে মই এটা ভাল উত্তৰ পাইছো কাৰণ লোকপ্ৰিয়লৰ তথ্য অনুসৰি ২৬,৩৯৫ খন গাঁৱৰ ভিতৰতএতিয়ালৈকে ২৬,২৩৫ খন গাওঁত বৈদ্যুতিকৰণৰ কাম সম্পূৰ্ণ কৰা হৈছে। ইতিমধ্যে মোৰ জিলাত ৫,০৮৩ টা পৰিয়ালৰ বৈদ্যুতিকৰণৰ কাম বাকী আছে আৰু তাৰে মোৰ সমষ্টিত আছে ২,১৫২ টা। কেতিয়া এই পৰিয়াল সমূহক বিদ্যুৎ যোগানৰ ব্যৱস্থা কৰা হ'ব ? এইটো মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী বিমল বৰা (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি প্ৰশ্ন উত্থাপন কৰিছে, সেই ক্ষেত্ৰত ইতিমধ্যে মই সদনৰ মজিয়াত কৈছো যে যি সমূহ বাকী ৰৈ যোৱা ঘৰ, সেই ঘৰ সমূহক বৈদ্যুতিক সংযোগেৰে সংযোজিত কৰাৰ কাৰণে ইতিমধ্যে আমাৰ যি এডিশ্যনেল সৌভাগ্য আঁচনি আছে, সেই আঁচনিৰ দ্বাৰা সংযোজিত কৰাৰ পৰিকল্পনা আছে আৰু অনুমোদনৰ কাৰণে দিল্লীলৈ পঠোৱা হৈছে আৰু মই জনাবলৈ পাই সুখী হৈছো যে, অহা কালিলৈ শক্তি মন্ত্ৰালয়ত স্ক্ৰীনিং কমিটিৰ বৈঠক আছে আৰু আমি ভাৱো যে আমাৰ যি প্ৰস্তাৱ, সেই প্ৰস্তাৱ

কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিব আৰু আমাৰ সকলোৰে আশা বিলাক পূৰণ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** চেকেণ্ড চাপ্লিমেণ্টৰী।

**শ্ৰী ৰমাকান্ত দেউৰী (মৰিগাঁও) ঃ** ২,১৫২ টা পৰিয়ালৰ যি বিদ্যুৎ যোগান বাকী আছে এইটো যাতে সোনকালে কৰে, তাৰ কাৰণে মই আপোনাক অনুৰোধ জনাইছো।

**শ্ৰী বিমল বৰা (মন্ত্ৰী) ঃ** সেই আঁচনিৰ ভিতৰতে আপোনাৰ খিনিও সোমাই আছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** এই সৌভাগ্য আঁচনিত যিটো ষ্টেন-এ'লন, এইটো টেম্পৰাৰী বস্তু। এইটো এজ পাৰ এজ পচিবল গ্ৰীড কানেকশ্যন দি দিয়াৰ কাৰণে ব্যৱস্থা কৰিব লাগে। সেইটো যাতে চায়। সৌভাগ্য আঁচনিৰ চ'লাৰ লাইটটো it will last hardly 5 years। যিখিনি খেতিয়ক আছে তেওঁলোকে expensive use কৰিব আৰু তাতে গ্ৰীড কানেকশ্যন দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীবিমল বৰা (মন্ত্ৰী) ঃ** আগন্তুক দিনত এইখিনি বহুত কৰিব লগীয়া আছে, নিশ্চয় আপোনাৰ কথাখিনি গুৰুত্বসহকাৰে বিবেচনা কৰা হব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নকালীন ঘন্টা সমাপ্ত হ'ল।

## Point of order

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** চাৰ।

**শ্ৰীনুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**শ্ৰী আব্দুল কালাম ৰছিদ আলম (পূব গোৱালপাৰা) ঃ** ছাৰ, প্ৰশ্নকালীন ঘন্টাটো এক ঘন্টা হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** নিয়মত যাবচোন, প্ৰশ্নকালীন ঘন্টা সমাপ্ত। প্ৰশ্নকালীন ঘন্টাটো সেইটোৰ লগত কথা নাই, আৰম্ভণিৰ পৰা এক ঘন্টা। কিছু থাকিলে আপোনালোকে দি দিয়ক সেইটো আমি বি এ চি ত ঠিক কৰি ল'ম।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** Sir, Point of order.

**শ্ৰীনুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Point of order.

**মাননীয় অধ্যক্ষ ঃ** চাওক মোৰ এটা কবলগীয়া আছে কাৰ্য্য উপদেষ্টা সমিতিৰ এটা প্ৰতিবেদন আছে সেইখিনি আপোনালোকক শুনোৱাৰ পিছত।

(একেলগে বহুকেইজন সদস্যই কয়, ফলত অলপ হুলস্থূল হয়)

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা লিখিত প্ৰশ্ন নং ৪৬, ইয়াতে প্ৰশ্নটো আছিল দুটা আউত পোষ্টক থানালৈ update কৰা।

**মাননীয় অধ্যক্ষ ঃ** নহয়, নহয়, আজিৰ যি ২০ টা প্ৰশ্ন।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** ইয়াৰ উত্তৰৰ ওপৰত মই কম চাৰ। এটা নতুন আউত পোষ্টি ক্ৰিয়েট কৰা আৰু তাৰ লগতে এটা প্ৰশ্ন আছিল যে কেইখনমান গাঁও এইখন থানাৰ পৰা সেইখন থানালৈ নিব লাগে আমাৰ সংখ্যালঘু মন্ত্ৰী এতিয়া ইয়াত আছে তেখেতে উত্তৰ দিছিল, যে থানাটো হৈ থাকিব বাৰু সেইটো পৰৱৰ্ত্তী সময়ত। কিন্তু গাঁওকেইখন মোক মুখ্যমন্ত্ৰীয়ে এখন লিখি দিব দিছিল, ১৫ দিনৰ ভিতৰত দি দিম সেইটো। কিন্তু আজিলৈ ইখন থানাৰ পৰা সেইখন থানাত নিব লাগে এই কামটো মাননীয় মন্ত্ৰী মহোদয়ে আশ্বাস দিয়াৰ পিছতো কিয় হোৱা নাই?

**মাননীয় অধ্যক্ষ ঃ** নহয়, চাওক, এইটো অন্য বিষয়, মই কি ক'ম সেইটো আপোনাক, দিব পাৰিব।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** চাৰ, পইন্ট অৱ অৰ্ডাৰ।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** Sir, Point of order.

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** চাৰ, পইন্ট অৱ অৰ্ডাৰ।

**মাননীয় অধ্যক্ষ ঃ** Rule no টো কওঁক।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মোৰ কথাটো হ'ল যে।

**মাননীয় অধ্যক্ষ ঃ** নহয়, নহয় প্ৰশ্ন কালীন ঘন্টাৰ ক্ষেত্ৰত যিটো বিসংগতি আপুনি দেখিছে সেইটো হ'ব নালাগে বা ঠিক হোৱা নাই কোনটো Rule no ত কোৱা আছে সেইটো কওঁক।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** প্ৰশ্নকালীন ঘন্টাৰ সময়টো।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া)ঃ** অধ্যক্ষ ডাঙৰীয়া, এটা পৰম্পৰা ৰক্ষা কৰিবলৈ অনুৰোধ জনাইছো যেতিয়া অধ্যক্ষ ডাঙৰীয়া ঠিয় হয় আমি বাকী সকলো সদস্য সকলে বহি দিয়া উচিত।

**মাননীয় অধ্যক্ষ ঃ** মোৰ কথাটো শুনকচোন, Point of order আমাৰ Rule ত দিয়া হৈছে, যিটো চলি থকা কাৰ্য্যসূচী বা কিবা এটা চৰ্চা চলি থকাত সেইটোত যদি কিবা নিয়মৰ বাহিৰত গৈছে আৰু সেই বিষয়ে যদি আমাৰ কৰবাত লিপিবদ্ধ আছে যে এনেকুৱা হ'ব নোৱাৰে সেইটোৰ ক্ষেত্ৰত, সেইটোৰ ৰুল নং সন্মানীয় সদস্য আপুনি কলে মই নিজেই চাব পাৰো, যে আমাৰ গণ্ডোগ'ল ক'ত হ'ল? আৰু যাদি গণ্ডোগ'ল হৈছে নিশ্চয় শুধৰণি কৰিম। যদি গণ্ডোগ'লে নাই হাউচ চলি থাকিব।

**শ্ৰী আব্দুল কালাম ৰছিদ আলাম (পূৰ গোৱালপাৰা) ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্ন নং।

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্ন নংটো কিয় কৈছে, আপুনি ৰুল নং টো কওঁক , কোনটো ৰুল হিচাপে আমাৰ প্ৰশ্নকালীন ঘন্টাটো নহয়। নিয়মে কব লাগিব, আপুনি কলে নহ'ব।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, অলপ আগতে পদ্ম হাজৰিকা ডাঙৰীয়াই কথা এটা কৈছিল যে আপুনি ঠিয় হৈ থাকিলে বাকী সদস্য সকলে বহিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** চাওঁক, মই লাহে লাহে কৰিম, ময়ো নতুনকৈ বহাৰ কাৰণে এইখিনি কৰি আছো। মই বিচাৰি আছো সকলো সন্মানীয় সদস্য, মই ভাৱো আমাৰ অসমত ইমান এনেকুৱা অৱস্থা নহয় যে বিধান সভাৰ বিধায়ক সকলে একো নাজানে। মই ভাৱো সকলো বিধায়ক সকলে সম্পূৰ্ণ ভাৱে, অসমৰ বিধায়ক অত্যন্ত সকলো ক্ষেত্ৰতে সম্পূৰ্ণ ভাল এটা জ্ঞান আছে আৰু সবে জানে সেইটো মই ভাৱি লও। সেইটো ভাৱি লোৱাৰ কাৰণে মই নিয়ম অনুসৰি যোৱাটো বিচাৰো, অন্যহাতে নিয়মে যদি নাই আমি ইয়াত কেনেকুৱা ধৰণৰ হাউচ টো চলাই লৈ যাম। সেইকাৰণে পইন্ট অৱ অৰ্ডাৰ এইটো অধিকাৰ আছে, আমাৰ সন্মানীয় সদস্য সকলৰ। কিন্তু পইন্ট অৱ অৰ্ডাৰ কেতিয়া কোনটো সময়ত ৰেইচ কৰা হয় সেইটোৰ বাবে আমাৰ ৰুল্‌চ খন আছে। গতিকে সেইমতে একো বাধা নাই। যেতিয়া পইন্ট অৱ অৰ্ডাৰ কয় তেতিয়া কোনটো ৰুলত বেছ কৰি আপুনি পইন্ট অৱ অৰ্ডাৰ ৰেইচ কৰিছে সেই কথাটো কলে আমি সেইটো চাই উত্তৰ দিব পাৰো। তাত নথকা উত্তৰ মোৰ ওচৰতো নাই আৰু এইখিনি ক্ষমতা মই অধ্যক্ষ হলেও সেইটো নাই। যিটো নিয়ম দি থৈছে সেইটোৰ মতেহে মই পৰিচালনা কৰিব পৰো। গতিকে সেইখিনি কথা আহি থকা দিনত আপোনালোকে তেনেকুৱা কৰিলে পইন্ট অৱ অৰ্ডাৰটো আমাৰ ধুনীয়াকৈ চলি যাব, বিষয় বিলাক।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** চাৰ, পইন্ট অৱ অৰ্ডাৰ।

**মাননীয় অধ্যক্ষ ঃ** নতুন ৰুল includ কৰিব লাগিব। পইন্ট অৱ অৰ্ডাৰটো অপোচ কৰিব পৰা সমৰ্থন কৰিব পৰা কোনটো ক্লজত লিখা আছে আপুনি সেইটো কওঁক।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** চাৰ, মই কৈ আছো, তাৰ মানে পইন্ট অৱ অৰ্ডাৰ।

**মাননীয় অধ্যক্ষ ঃ** আমি সেইটো আলোচনা কৰিব লগীয়া আছে। নিশ্চয় ক'ৰবাত আমাৰ যদি বিসংগতি থকা ৰুল আছে, আমি সেই ৰুল কমিটিৰ দ্বাৰা ঠিক কৰি ল'ব পাৰো। ইয়াত গুৰুত্বপূৰ্ণ বিষয়বিলাক আলোচনা কৰিব লগীয়া আছে। মোৰ কোনো স্বাৰ্থ নাই, আমি সেই বিষয়ত সময়ো নষ্ট কৰিব নালাগে। সন্মানীয় সদস্য সকল এতিয়া কাৰ্য্যসূচী মতে যাব বিচাৰিছোঁ।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহক। ইয়াৰ কাৰণে সকলো নিয়মবোৰ এইখনত দিয়া আছে। যেতিয়া প্ৰশ্নৰ উত্তৰ নিদিয়ে তেতিয়া কি কৰিব পাৰে, যেতিয়া ইয়াত হাউচত কোৱা আশ্বাস বা চৰকাৰে লোৱা আশ্বাস সেইবিলাক কৰা নকৰাৰ ওপৰত কি ব্যৱস্থা আছে, সম্পূৰ্ণ সকলো আছে। গতিকে নিজৰ নিজৰ ঠাইত আমি কাম কৰিব লাগিব আৰু এইখন সদনত আমি আজি কিছু গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰিবলৈ লৈছো। সেই হিচাপে অন্য বাহিৰৰ কথা।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** ডাঙৰীয়া আপুনি বহকচোন, যেতিয়া অধ্যক্ষই কয় তেতিয়া বহিব লাগে। অন্তত সংগঠন আৰু ইয়াৰ মাজত এইটোৱে পাৰ্থক্য। সংগঠনত সকলোৱে কব পাৰে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয়, মই পইন্ট অৱ অৰ্ডাৰটো বিচাৰিছিলো।

**মাননীয় অধ্যক্ষ ঃ** মই নিজে কৈ আছো, মই বাহিৰতো কওঁ, যে নামতহে অধ্যক্ষ নামত হে অধ্যক্ষ, কিন্তু ইয়াত থকাৰ বাদে মই কোনো কথায়ে কব নোৱাৰো আৰু মই কথা কোৱা সুযোগ আপোনালোকে দি আছে এতিয়া। ইয়াৰ বাদে মই একো কথা ক'ব নোৱাৰো।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয়, মই পইন্ট অৱ অৰ্ডাৰ আছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহকচোন। গতিকে এতিয়া কৰ্য্যসূচী নং ৩ ত আছে, কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)ঃ** চাৰ, আমি এইখিনি সময়তে একাষাৰ কথা ক'ব বিচাৰিছিলোঁ। চাৰ, আমি আজি এখন নটিছ দিছিলো, নিয়মাৱলী ৫৬ বিধি অনুসৰি যে, সদনৰ সভা স্থগিত কৰি এটা আলোচনা কৰিব লাগে। সেই প্ৰস্তাৱটোৰ ওপৰত এতিয়া আপোনাৰ পৰা যিহেতু বিচাৰিছিলো ৰাজ্যখনত পেট্ৰ'ল, ডিজেল আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে সৰ্বসাধৰণ ৰাইজক জুৰুলা কৰাৰ উপৰিও জীৱন দুৰ্বিসহ কৰি তুলিছে। সেই গতিকে সদনৰ সকলো কাৰ্য্যসূচী বাতিল কৰি আজিৰ এই গুৰুত্বপূৰ্ণ বিষয়টোৰ ওপৰত আলোচনা বিচাৰি যোৱাকালি আপোনাক আমি সভা স্থগিত প্ৰস্তাৱৰ এটা জাননী জাৰি কৰিছিলো। সেইগতিকে আমি চাৰ এই বিষয়ত আপোনাৰ পৰা মন্তব্য বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় আমাৰ বিৰোধী দলপতি, মই তিনিখন জাননী পাইছো, সভা স্থগিতৰ কাৰণে। তিনিও খন জাননীৰ মই গোটেইখিনি চাইছো আৰু চাই মই ইয়াত দেখিছো যে যিটো বিষয় ইয়াত আনিছে সেই বিষয়টো আমাৰ ৰাজ্য চৰকাৰৰ অধীনত নহয়। গতিকে সেইটোৰ কাৰণে যিটো আমাৰ ৫৭ নং নিয়ম, সেই নিয়মৰ ভিতৰত সভাস্থগিত কৰি যিটো আলোচনা লাগে বুলি কৈছে সেই ক্ষেত্ৰত মই গ্ৰহণযোগ্য নহয় বুলি সিদ্ধান্ত লৈছো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নিয়ম অনুযায়ী যেতিয়া আমি Adjournment motion দিও পৰম্পৰাগত ভাৱে তেতিয়া Admissibility ৰ ওপৰত ক'ব দিব লাগে। যে সেইটো গ্ৰহণযোগ্য হয়নে নহয়? আমাৰ বিভিন্ন জনে কোৱাৰ পিছত সংসদীয়

পৰিক্ৰমা মন্ত্ৰী বা চৰকাৰৰ ফালৰ পৰা এটা বক্তব্য আহে। সেই দুটা বক্তব্য শুনাৰ পিছতহে অধ্যক্ষ মহোদয়ে এটা সিদ্ধান্ত লয়, যে এইখিনি শুনাৰ পিছত এনেকুৱা ধৰণৰ এটা মই সিদ্ধান্ত লৈছো। গতিকে আমি যিটো কৈছো সেই কথাখিনি নুশুনাৰ আগত আপুনি।

**মাননীয় অধ্যক্ষ ঃ** তাত মোৰ আপত্তি নাই।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** আপত্তি নহয়, নিয়ম। Adjournment motion ৰ যিটো নিয়ম ৫৭ নং ত তাত লিখা আছে যে Adjournment motion Admissibility ৰ ওপৰত যি সকলে কৈছে, আপুনি নিয়ম মতে আমাৰ তিনিখন নটিছ পঢ়ি দিব লাগে। পঢ়াৰ পিছত এজন এজনকৈ ক'ব দিব লাগে। তাৰ পিছত সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ক'ব, তাৰ পিছত যদি আপুনি দেখে যে সেইটো গ্ৰহণযোগ্য নহয় তেতিয়া আপুনি ৰিজাৰ্ভও কৰিব পাৰে বা আপুনি ৰায় দিব পাৰে আমি মানো নামানো, সেইটোহে নিয়ম।

**মাননীয় অধ্যক্ষ ঃ** মই কৈ আছো, যিটো ৰুল, সেই ৰুল মতে যেতিয়া নটিছটো দি দিয়ে .

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপত্তি নহয়, Adjournment motion ৰ এটা নিয়ম আছে। ৰুল **৫৭** পেজত লিখা আছে যে adjournment motion admisibility ৰ ওপৰত যিসকলে কৈছে, অধ্যক্ষ মহোদয় যি তিনিখন adjournment motion আনিছে, প্ৰথমতে আপুনি পঢ়ি দিব লাগে, তাৰ পিছত সেই কেইজনক এজন এজনকৈ ক'ব দিব লাগে, তাৰ পিছত সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ক'ব। যদি মন্ত্ৰীজনৰ গ্ৰহণ যোগ্য নহয়, তেতিয়া হ'লে আপুনি ৰায় দিবও পাৰে বা reserve কৰিবও পাৰে।

**মাননীয় অধ্যক্ষ** ঃ মই কৈছো যে যিটো ৰুল আছে, সেই ৰুল মতে যেতিয়া notice টো দিয়ে, তেতিয়া অধ্যক্ষই নিজৰ বিবেচনাৰে এটা সিদ্ধান্ত ল'ব পাৰে। House ত raise কৰাৰ ক্ষেত্ৰত প্ৰয়োজন সাপেক্ষে আপোনালোকৰ admissibility ৰ ওপৰত ক'ব দিব পাৰি। ইয়াৰ পিছত motion আহিব এইবিলাক আমাৰ ৰুলত আছে। ভোটিং হ'ব admisibility লৈ আমি সভা স্থগিতকৰণ কৰি পেলাই আলোচনা কৰাতো গ্ৰহণ যোগ্য হয় নে নহয়। কিন্তু বিষয়তো মই এতিয়া ইয়াত নানো, সেইটো অৱগত কৰিছো।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওবৈচা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, admisibility হয় নে নহয়, তাৰ কথাখিনি কবলৈ সুযোগ দিব লাগে।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মূল্য বৃদ্ধিৰ ওপৰত কবলৈ নিদিয়াৰ কাৰণটো কি?

-- হুলস্থুল..

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদস্যসকল মোৰ practise ত অলপ ভুল হৈ যাব পাৰে serial ৰ ক্ষেত্ৰত। প্ৰথমতে মই আনিব খুজিছিলো BAC য়ে কি কি সিদ্ধান্ত লৈছিলে বা লোৱা নাই, কিন্তু আপোনালোকে আগতে adjournment motion ৰ কথাখিনি আনি আছে। অনাৰ লগে লগে মই ক'ব লাগিব মই কি সিদ্ধান্ত লৈছো সেই সময়ত এই কথাটো মই ব্যক্ত কৰিম। যদি সদনে ইয়াৰ পিছতো

বিবেচনা কৰি হ'ব লাগে বুলি কয়, সেইটো হ'ল প্ৰক্ৰিয়া। আপোনালোকে adjournment motion আনিছে তাৰ admisibility লৈ আপোনালোকে কওঁক মোৰ আপত্তি নাই।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)**ঃ মাননীয় অধ্যক্ষ মহোদয়, যিমানখিনি notice পোৱা গৈছে এখন এখনকৈ উল্লেখ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** adjournment motion আমি তিনিটা পাইছো -

১) শ্ৰীদেৱব্ৰত শইকীয়া, শ্ৰীৰকিবুল হুছেইন আৰু অন্যান্য সদস্যসকলে আনিছে।

২) শ্ৰীফণীধৰ তালুকদাৰ, আমিনুল ইছলাম, ৰফিকুল ইছলাম আৰু অন্যান্য সদস্যসকলে আনিছে। আৰু ৩) শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই আনিছে।

এই তিনিটা motion ৰ আবেদনকাৰী সকলৰ বিষয়টো একে। বিষয়টো হ'ল "ৰাজ্যখনত পেট্ৰ'ল, ডিজেল আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰন ৰাইজক জুৰুলা কৰাৰ উপৰিও জীৱন দুৰ্বিসহ কৰি তুলিছে"। পেট্ৰ'ল-ডিজেলৰ বিষয়টো অসম চৰকাৰৰ বিষয় নহয়।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, admisibility হয় নে নহয়, তাৰ কথাখিনি কবলৈ দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মই অনুৰোধ কৰিছো admisibility ৰ ওপৰত কোৱাৰ কাৰণে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াৰ পৰা অলপ জানিব খুজিম-Rule 56 of Assam Assembly ত কোৱা হৈছে, The Speaker shall decide whether the matter is to be discussed is definite whether it is of urgent public importance. ইয়াত যে admisibility ৰ ওপৰত debate হ'ব লাগে, কোনটো clause ৰ পৰা কৈছে মই জানিব বিচাৰিছো, kindly যদি পঢ়ি দিয়ক।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যে কালি notice টো দিছো কি কাৰণে দিছো সেইটো ক'ব দিব লাগিব। তাৰ পিছতহে অধ্যক্ষই admisibility decide কৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিমান ৰুল পঢ়ি দেখিছো, আজিৰ কাৰণে নহয়, আজি আপোনালোকে কব খুজিছে কৈ দিয়ক। মোৰ কোনো আপত্তি নাই, কিন্তু যেতিয়া অধ্যক্ষ এজনক প্ৰশ্ন কৰা হয় যে আপোনাৰ কথাটো ভুল। তেতিয়া আমি অকণ মান depth ত যোৱাৰ এটা প্ৰয়োজনীয়তা থাকে। Rule 56 Govern about motion ..... (interuption)

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ উত্তৰ বিলাক মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কেনেকৈ দি আছে।

**মাননীয় অধ্যক্ষ ঃ** সদনত যেতিয়া Leader of the Opposition বা Leader of the House য়ে কয় সকলো সদস্যই শুনিব লাগে। আপুনি বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী, অসম)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Leader of the House & Leader of the Opposition enjoys certain privilege গতিকে সেই কথাটো সদস্যসকলে বুজি পালে ভাল। যদি আপোনালোকৰ নেতাজনে কথা কব নাপাই কেনেকৈ হ'ব। As a Leader of the House, I am leader of you also today.

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ক'ব খুজিছো মূল্য বৃদ্ধিৰ ওপৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কথা পাতিব নেদিয়ে নেকি?

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য অখিল গগৈ ডাঙৰীয়া আপুনি বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী, অসম)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি admisibility ৰ

ওপৰত নিশ্চয় কথা ক'ব, তাত মই আপত্তি কৰা নাই। Leader of the Opposition has right to talk about admisibility. মই প্ৰশ্নটো আনিছো ক'ত? যেতিয়া অধ্যক্ষ এজনক কোৰা যায় যে you are wrong তেতিয়া আমি জানি ল'ব লাগিব যে record ত এইটো wrong বুলিয়ে গুচি যাব। সেই কাৰণে মই জ্যেষ্ঠ সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াৰ পৰা জানিব খুজিম। ইয়াত কোৰা হৈছে Rule 56 (I) ত A motion for an adjournment of business of the Assembly for the purpose of discussing a definite matter of urgent public importance may be made with the consent of the Speaker. The Speaker shall decide whether the matter to be discussed is definite or whether it is of urgent public important তাৰ পিছত Rule 61 ত আছে The Speaker give consent on Rule 56 then the floor of the House. যেতিয়া মাননীয় অধ্যক্ষ মহোদয়ে notice এখন পালে। অধ্যক্ষ মহোদয়ে notice খন পঢ়ি দিলে। তেওঁ যদি কয়, মই suo moto ভাবিছো, this is not definite, this is not to be discussed. probably matter ends. যদি আমাৰ সদস্য সকলে ভাৱে যে হয় আমাক admisibility ৰ ওপৰত কোৰাৰ সুবিধা দিব লাগে, মই ভাৱো that is Rule need to be amended or this Rule need to be discussed. আজিৰ কাৰণে কথাখিনি কৈ লওক। মই ভৱিষ্যতৰ কাৰণে কৈছো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো কথা কৈছে সেহটো matter of interpretation. discussion ত আমি আহিব খোজা নাই, discussion কৰিব আপুনি দিয়ে নে নিদিয়ে সেইটো হে কোৰা আছে। matter is urgent or not, matter ত public importance আছে নে নাই, সেইটো আমাক কথাখিনি শুনি চৰকাৰৰ ফালৰ পৰা justification দিব। যদি নহয় তেতিয়াহে আপুনি কব যে matter তো discuss হয় নে নহয়। এতিয়াও আমি আলোচনাত যোৱাই নাই। এইটো এটা পৰম্পৰা। যিটো Kaul & Shakdher ৰ লগত মিলাব লাগিব। এইটো বহুদিনৰ পৰা চলি আছে যে motion of adjournment টো আমি এতিয়া অনাই নাই। অনাৰ পিছত admisibility আছে নে নাই আপুনি decide কৰিব যে আমি কৈছো এইটো important, আপুনি সেইটো মানিছে নে নাই। গতিকে Rule is clear.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া সন্মানীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই ক'ব যে এইটো পৰম্পৰা হয় তেতিয়া মোৰ ক'বলগীয়া একো নাই। There are some tradition in the House, if we want to respect the tradition, ক'বলগীয়া একো নাই। কিন্তু যেতিয়া অধ্যক্ষক কোৰা হয় যে এইটো Rule, কৰিবই লাগিব, then it is a question that whether we should go that or not ! মই ভাৱো পৰৱৰ্তী সময়ৰ Business Advisory Committee ৰ proceedings ত it should recorded আৰু যদি পৰম্পৰাই আছে এইটো মানিবই লাগিব। অধ্যক্ষ মহোদয় সংসদৰ পৰা আহিছে। তেখেতে কিতাপখন পঢ়িয়েই কথাবোৰ বুজি পাইছে আৰু তেখেতে নিশ্চয়কৈ তেওঁ কিতাপৰ মতে চলিব লাগিব। গতিকে তেখেতক যাতে কৈ থকা নহয় যে এইটো আপোনাৰ ভুল হৈছে। যেনেকৈ Question Hour ৰৰ পাছত Point Of Order আছে, এইবিলাক Rule তেই নাই, আমি বনাই লৈছো। বিধায়কৰ দৰে নিজে কষ্ট নকৰে, নিজে লিখিব বেয়া পায়

নিজৰ সমষ্টিটোৰ কথা। যেতিয়া বেলেগে প্ৰশ্ন কৰে, চিলনীৰ দৰে জাপ মাৰে তেতিয়া কি হয়, তেওঁৰ Raise টো Curve হৈ যায়, তেওঁ উত্তৰবোৰ নোপোৱা হৈ যায়। আচলতে বিৰোধী পক্ষৰ কাৰণে এইবিলাক লাগে। গভৰ্ণমেন্ট পক্ষৰ মেম্বাৰেটো মোক সুধিলে উত্তৰ পাই যাব। আমাৰ Legislature Party ৰ মিটিঙটো পাই যাব। So we need to preserve the right of the Opposition. যিজনে আনে বহুত পঢ়ি শুনি আনে, তাৰ যাতে উত্তৰটো তেওঁ পায় মই সেইটোহে কৈছো, বাকী একো কথা নাই।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈছা) ঃ** চাৰ, House টো অকল Rule মতে নচলে Convention -- (সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়।) **আমি চাৰ Notice এখন আনিলে আমাক ক'বলৈ নিদিয়াকৈ আপুনি Reject কৰিব নালাগে।** (সদনত পুনৰ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়।) আপুনি House ৰ Record চাওঁক।

**মাননীয় অধ্যক্ষ ঃ** মই নতুন হয়, পৰম্পৰাটো মই নাজানো, মই Rule টোহে জানো।পৰম্পৰা এটা বেলেগ আৰু আইন কানুনটোও বেলেগ।পৰম্পৰাটো হ'ল কিতাপ নোলোৱা। গতিকে এইটো আমি Business Advisory Committee ত ঠিক কৰিম। আজিৰ কথাটো মই কৈ আছো যিহেতু মোৰ Discretion আছে । মই Importance টো বুজি পাওঁ। কিন্তু আজিৰ দিনটোৰ কাৰ্য্যসূচী বন্ধ কৰি অকল এইটো বিষয় আলোচনাৰ বাবে House Adjourn কৰাটো উচিত নহব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** ইয়াত Rule ত আছে চাৰ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি আৰু Rule টো উলিয়াব নালাগে। মই ইয়াত একো আপত্তি কৰিবলৈ যোৱা নাই। মই মাত্ৰ এটা কথাই ক'বলৈ গৈছো যে House ত কিছুমান সিদ্ধান্ত লোৱা হয়। কিছুমান মই নিজেই বাচনি কৰো, যেনে Zero Hour ত কোনটো অনাটো উচিত বা অনুচিত হ'ব। Rule-301, Rule-54 এই বিলাকৰ ক্ষেত্ৰতো বহুতৰে Notice আছে।

গতিকে যেতিয়া প্ৰশ্নটো আহিছে House তে আলোচনা হ'ব কিন্তু আজি নহয়। এইটো পৰম্পৰা বুলি কলে নহ'ব। মই ইয়াত একো আপত্তি কৰিবলৈ যোৱা নাই। মই মাত্ৰ এটা কথা কৈছো যে যেতিয়া House ত আপোনালোকে ক'ব, তেতিয়া কিছুমান সিদ্ধান্ত House ত হয়। মোক কিছুমান Discretion দিছে যে Zero Hour ত মই এই বিষয়টো আনিম নে নানিমঙ্গ সেইদৰে 301, 54 ত বহুতৰে Notice আছে। মইটো নকওঁ যে কি কাৰণত এইটো মই Allow নকৰিলো। কিন্তু যেতিয়া প্ৰশ্ন এটা আহে তেতিয়া House ত আলোচনা হয়, মই নহয় বুলি কোৱা নাই। আজি আপোনালোকে সেইটো কোৱাৰ পাছত প্ৰশ্নটো আহিল, ইয়াৰ ওপৰত অলপ Rule ৰ কথা চলিল। এতিয়া পৰম্পৰাৰ কথা যিহেতু উঠিছে, পৰম্পৰা বুলি ক'লে বহুত কথাই আহি যায়।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা) ঃ** এইটো Parliament ত আছে চাৰ।

**মাননীয় অধ্যক্ষ ঃ** Parliament ত সেইটো নাই। Parliament ত এনেকুৱা ধৰণৰে আহে। আমি Adjournment Motion দিছিলো কি হ'ল ? তেতিয়াহে Parliament ত তেনেকুৱা বিষয়টো আহে। আজিও Parliament ৰ দৰেই হৈছে। মই ইতিমধ্যে Reject কৰিছো, কিন্তু House ত বিষয়টো আহিল বাবে আমি কথা পাতি আছো। তথাপিও পৰম্পৰা যিহেতুকে আছে আহি থকা দিনত এই বিতৰ্ক যাতে নহয় আমি এইটো Business Advisory Committee ত ঠিক কৰি লম।

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অলপ যোগ দিব বিচাৰিছো। যিহেতু গোটেই বিষয়টো ইতিমধ্যে Proceedings ত বহু কথা আহিছে আৰু তেখেত সকলে কৈছে যে এইটো ভুল,

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈছা) ঃ** মাননীয় অধ্যক্ষক আমি ভুল বুলি কোৱা নাই।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) ঃ** মোক কৈ ল'বলৈ দিয়ক। (এই ভুল কথাটো Proceedings ত থাকিব নালাগে। এই পৰম্পৰাতো আমি দেখি আহিছো কিন্তু Rule মতে কথাটো 'Speaker is Right'.)

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (পূব গুৱাহাটী) ঃ** অধ্যক্ষ মহোদয়, তেখেত সকলে লিখিত ভাৱে আপোনাক Motion টো দিছে, তাত তেখেত সকলে Reason টো দিছে যে এই কাৰণে আমি বিষয়টো উত্থাপন কৰিব লাগে। অধ্যক্ষ মহোদয়, মোৰ যদি শুনাত ভুল হোৱা নাই তেখেত সকলে পেট্ৰ'লজাত সামগ্ৰীৰ মূল্যবৃদ্ধিৰ ওপৰত উত্থাপন কৰিছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পেট্ৰ'লৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ কথাটোও আছে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (পূব গুৱাহাটী) ঃ** গতিকে অধ্যক্ষ মহোদয়, যিহেতু আপুনি ক'লে যে পেট্ৰ'লজাত সামগ্ৰীৰ মূল্য বৃদ্ধিটো বিধান সভাৰ Jurisdiction ত নপৰে, সেইকাৰণে আপুনি এইটো Allow নকৰিলে। এতিয়া তেখেত সকলে তাৰ লগত Supplementary আৰু আন কি দিছে He had not mentioned. গতিকে মই ভাবো, এই যিটো আলোচনাৰ কথা আহিছে Admissibility ৰ ওপৰত ক'ব, সেই Admissibility ৰ ওপৰত কথাটো আহিলে হয় যদি তেখেত সকলে definitely সেই কথাখিনি তেখেত সকলে তাত দি দিলে হয়।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়।)

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, আমাৰ ইয়াত পেট্ৰ'ল, ডিজেল আছে, আৰকাৰী শুল্ক আছে।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়।)

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয়, চৰকাৰী পক্ষই কৈছে, মূল্যবৃদ্ধিৰ ওপৰত আলোচনা কৰাত আপত্তি নাই। মুখ্য মন্ত্ৰীয়ে কৈছে, তাৰ পিছতো বেলেগে কিয় কৈছে? মুখ্য মন্ত্ৰীয়ে কোৱাৰ পিছত ইমান সময়ে যদি মূল্যবৃদ্ধিৰ ওপৰত আলোচনা হোৱা হ'লে আমাৰ বহুত উপকাৰ হ'ল হেতেন। Admissibility ৰ ওপৰত আলোচনা কৰি আমাৰ সময়টো নষ্ট কৰি থকা হৈছে।

**শ্ৰী দূৰ্গা দাস বড়ো ( কলাইগাঁও) ঃ** অধ্যক্ষ মহোদয়, আপুনি এটা কথা উল্লেখ কৰিছে যে পৰম্পৰা আৰু Rules এই দুয়োটায়ে ইয়াত চলি আহিছে আৰু আপুনি কৈছে যে পৰম্পৰা আৰু Rules এই দুয়োটায়ে Continue কৰিম, এইটো কিন্তু BAC Meeting ত আলোচনা হোৱা নাই। গতিকে আপুনি Consideration কৰি BAC Meeting ত এই বিষয়টো আলোচনা কৰিবলৈ দিয়াতো মই শুদ্ধ বুলি ভাবো।

**মাননীয় অধ্যক্ষ (অসম বিধান সভা) ঃ** ঠিক আছে। এতিয়া বিৰোধী দলৰ দলপতি ।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছো। সদনৰ নিয়মাৱলীৰ বিধি অনুসৰি ৰাজ্যখনত পেট্ৰ'ল, ডিজেল আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্য বৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক জুৰুলা কৰাৰ উপৰিও জীৱন দুৰ্বিষহ কৰি তুলিছে বুলি বিৰোধী পক্ষৰ বিভিন্ন গোটে অনা প্ৰস্তাৱটোৰ Admissibility ৰ ওপৰত আমাক কিছু

কথা ক'বলৈ সুবিধা দিয়াৰ বাবে ধন্যবাদ জনাইছো। মহোদয়, কথাটো আমাৰ কিতাপৰ ৩ পৃষ্ঠাত আছে, Kaul and Shakdhar ত প্ৰায় ২৪ পৃষ্ঠাত আছে। তাত দিছে আমাৰ দেশ স্বাধীন হোৱাৰ আগৰো কিছুমান Reference Code দিছে যিবিলাক ১৯২০ বা ১৯৩০ চনৰ। সেই গতিকে নিশ্চিত ভাৱে বিতৰ্ক হ'বই, যিহেতু এই বিষয়টোৱে বিতৰ্কিত বিষয়। ইয়াত অধ্যক্ষ মহোদয়ৰ Discretion ৰ কথা নিশ্চয় আছে, গতিকে আপোনাক ধন্যবাদ জনাইছো।

ইয়াৰ পূৰ্বৰ অধ্যক্ষ ডাঙৰীয়াও আছে, মাননীয় হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়া, তেখেতেও যোৱা সময় চোৱাত আমাক এই কথাখিনিত.......যিহেতু চৰকাৰৰ লগত আমি ইয়াত সমালোচনা কৰা বুলি নহয়, কিছুমান গুৰুত্বপূৰ্ণ কথা যদি সদনত আলোচনা নহয় তেতিয়াহ'লে বাহিৰত এটা বেয়া Message যাব আৰু বহুতে বুজিও নাপায়। আইন বুজি নোপোৱাৰ বাবে আমাৰ দেশত বহুত ঘটনা হয়। মুখ্যমন্ত্ৰী মহোদয়েও কিছুমান মন্তব্য দিছে সেইখিনি Historically হয়, কিন্তু বহুক্ষেত্ৰত নহয়। সেই গতিকে কথাবিলাক আমাৰ যিহেতু Qualified Democracy সম্পূৰ্ণ হোৱা নাই, Educated Democracy হোৱা নাই, যিটো ১৯৪৭ চনত গ্ৰহণ কৰা হয়। বহুতে কৈছিল দুটা party system থাকিব নালাগে। তথাপিতো দেশত সেই সময়ৰ আইন প্ৰণেতা সকলে যিহেতু কৰিলে ,আমি এতিয়া লাহে লাহে সেই দিশত গৈ আছো। সেয়েহে আমাৰ সংবিধানখন ৮০ খনমান উন্নত দেশৰ পৰা আনি লিখি মেলি উলিয়ালে সকলো আলোচনা কৰি। সেয়েহে কিছুমান কথা আছে। আইন আৰু পৰম্পৰা দুয়োটাই চলি আহিছে। আপোনাক ধন্যবাদ জনাইছো এইক্ষেত্ৰত। অধ্যক্ষ মহোদয়, আলোচনা কৰিছো এই কাৰণে যে - প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে আমাৰ ৰাজ্যৰ বহুখিনি কথা ইয়াত জড়িত হৈ আছে। সেই গতিকে আমাৰ যদি চৰকাৰখনে দৃঢ়ভাৱে অসমৰ স্বাৰ্থত পদক্ষেপ লয়, আমি ভাবো যে কেন্দ্ৰত কিছু প্ৰভাৱ বিস্তাৰ কৰি আমি ভৱিষ্যত সময়ৰ কাৰণে সকাহ পাব পাৰিম। সেই গতিকে এইটো গুৰুত্বপূৰ্ণ কথা বুলি আমি অনুভৱ কৰি সভা স্থগিত প্ৰস্তাৱ আনিব বিছাৰিলো। মহোদয় নিশ্চিত ভাৱে বিষয়টো, যিখিনি কোৱা হয় যে Matter must be definite relate to a single specific matter তাৰ পাছত কোৱা হয় যে matter must be urgent তাৰ পাছত কোৱা হয় যে matter must be of the public importance. এই ক্ষেত্ৰত মহোদয়, যিহেতু তিনিটা কথাই হয় বুলি ক'ব লাগিব, definitely এই কাৰণেই কম যে জানুৱাৰী মাহৰ পৰা বৰ্তমান সময়লৈকে পেট্ৰল, ডিজেলৰ মুল্য ৭১ বাৰ বৃদ্ধি পাইছে বুলি তথ্য ওলাইছে। আৰু যোৱা দুদিনৰ ভিতৰত ৪ টকামান বৃদ্ধি পাইছে আৰু সেইটো নিশ্চিতভাবে এটা definite matter, যিটো কাৰণে আমাৰ অত্যাবশ্যকীয় খাদ্য সামগ্ৰীৰ যথেষ্ট মূল্যবৃদ্ধি হৈছে। সৰ্বভাৰতীয় তথ্য অনুসৰি যোৱা সময়ছোৱাত প্ৰায় আঢ়ৈকোটি মানুহে কৰ্মসংস্থাপন হেৰুৱাইছে। বৰ্তমানৰ এই ক'ভিড আৰু অন্যান্য যি কেইটামান পৰিস্থিতি হ'ল, যে মুদ্ৰাস্ফীতি নিবনুৱা সমস্যা, অৰ্থনৈতিক সংকট আৰু কৰ'ণা মহামাৰীৰ দৰে কেতবোৰ যিবিলাক ক্ষেত্ৰত চৰকাৰৰ সুনিৰ্দিষ্ট যেনেধৰণৰ হ'ব লাগিছিল, এতিয়া মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ হ'ল, তাত কোৱা হৈছে যে আমাৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক সলনি কৰা হ'ল যে ক'ভিডৰ পৰিস্থিতি বেয়া হোৱাৰ কাৰণে, মই নাজানো কিমানদূৰ সঁচা মিছা, এই কথাবোৰ ওলাইছে। গতিকে আমি যিখিনি দৈনিক ১৪০ কোটি জনতাই ভুগিব লগা হৈছে, তাৰ ভিতৰত আমাৰ অসমৰেই ৩ কোটি ৬০ লাখমান আছো। ইন্ধনৰ দৈনিক মুল্য বৃদ্ধিত পৰিয়াল সমূহৰ মাজত যি সমস্যাৰ সৃষ্টি কৰিছে, সেই সমস্যাই মানুহৰ জীৱনত জীয়াই থকাৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। আনকি কৃষক সকলক ৰাসায়নিক সাৰ লাগে, ডিজেল লাগে কীটনাশক দ্ৰব্য লাগে। তেওঁলোকৰ বিজুলী বিল পৰিশোধ

কৰিব লাগে। কৃষিকৰ্মৰ সজুঁলি, এই বিলাকৰ ক্ষেত্ৰটো অত্যাধিক মূল্য বৃদ্ধিৰ ফলত প্ৰতি হেক্টৰ মাটিত খেতিৰ বাবদ ২০ হেজাৰ টকালৈকে এই সমস্যা বৃদ্ধি পাইছে। মহোদয়, এই সময়ছোৱাতে প্ৰায় ৬০ শতাংশ খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধি পাইছে যোৱা এমাহৰ ভিতৰত বুলি তথ্য ওলাইছে। তাৰে কেতবোৰৰ ক্ষেত্ৰত ৪২ শতাংশ বৃদ্ধি পাইছে তিনি মাহৰ ভিতৰত বুলি Kotak Institutional Security Research য়ে এটা তথ্য দিছে। মহোদয়, আৰু এটা কথা উল্লেখযোগ্য যে পেট্ৰ'লিয়াম বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী যোৱা সময়ত ধৰ্মেন্দ্ৰ প্ৰধান ডাঙৰীয়াই কলে যে মই Excise duty বা অন্যান্য share বিলাক কমাব নোৱাৰো। যিহেতু আমি ভেকচিন দিব লগা হয়। আৰু বিভিন্ন ৰেলফেয়াৰ স্কীম যিখিনি আমি এই পইচাটোৰ পৰা লৈ আছো। কিন্তু এইখিনি সময়তে মহোদয়, যদি ভাল নীতি হ'ল হয়, তেতিয়া হলে যোৱা সময়ছোৱাত corporate tax যিটো কোম্পানীবিলাকৰ পৰা সংগ্ৰহ কৰা হয়, সেই corporate tax টো প্ৰায় ডেৰলাখ কোটিতকৈ অধিক টকা চৰকাৰে ৰিবেট দিলে। যদি সেইটো ২০১৯ চনৰ লেভেলত ৰাখিলে হয় দুইলাখ কোটি মান টকা আমি তাত পালো হয়। তেতিয়া ইয়াৰ পৰা ল'ব লগা নহ'ল হয়। ঠিক তেনেকৈ matter টো হয় গতিকে definite matter, আৰু matter টো এই ক্ষেত্ৰত urgent এইকাৰণেই ক'লো যে আজিও কেতবোৰ কাকতত ওলাইছে, আমাৰ আৰ্থিক এনেকুৱা দৈন্যতা হৈছে। শৰীৰৰ অংগ মানুহে বিক্ৰী কৰিব লগা হৈছে, চিকিৎসালয়লৈ নিব পৰা নাই, টকা পইচাৰ অভাৱত। গতিকে এই matter টো নিশ্চিতভাবে urgent matter বহু মানুহৰ বিভিন্ন ধৰনৰ যিবিলাক অগতানুগতিক কাম কৰি পৰিয়াল পোহপাল দিব লগা হৈছে , যিবিলাকে পৰা নাই তেওঁলোকে উপাৰ্জনৰ পথ নেদেখি আত্মহত্যা কৰাৰো বহু প্ৰমাণ যোৱা সময়ছোৱাত ওলাইছে। ঠিক তেনেকৈ মহোদয়, matter টো আমি কওঁ যে public importance যিহেতু এই ক্ষেত্ৰত যদি আমি সকলোৱে মিলি নতুনকৈ কিবা এটা কৰিবলৈ সিদ্ধান্ত ল'বলৈ নিবিচাৰো। কাৰণ মহোদয় আমি জানো যে, আমাৰ অসমক এটা ক'লা হীৰাৰ দেশ বুলিও কোৱা হয়। যেনেকৈ চাহৰ কথা কোৱা হয় তেনেকৈ তেল আৰু প্ৰাকৃতিক গেছ । এটা সময়ত গোটেই ভাৰতবৰ্ষৰ ঘৰুৱা উৎপাদন আটাইতকৈ বেছি হৈছিল। আজি যিটো কোৱা হয় যে dynamic market mechanism ৰ কাৰণে মূল্য বৃদ্ধি হৈছে। সেইটো ইন্টাৰনেশ্যনেল মাৰ্কেটত বোলে কম হ'লে আমাৰ ইয়াত কম হয় আৰু বাঢ়িলে বাঢ়ে । তথাপিও আমি সেইটো কোৱা নাই যিহেতু indirect custom duty আৰু share বিলাক লগাই থৈছে। কিন্তু মহোদয় আমাৰ তেল উৎপাদনৰ বাবে যিটো মূল্যব্যয় অ এন জি চি ৰ নিচিনা অনুষ্ঠানক ৬৩ শতাংশৰ পৰা ৮ শতাংশ নিম্নগামী হৈছে যোৱা বাৰ্ষিক বাজেটত। ৩২ হাজাৰ কোটি টকাৰ পৰা ২০২১-২২ ৰ বাৰ্ষিক বাজেটত ২৯ হাজাৰ কোটি টকা কৰা হ'ল। ঠিক তেনেকৈ অ এন জি চি ৰ অৰ্থৰ অভাৱ আৰু চৰকাৰে কম বাজেট নিৰ্ধাৰিন কৰাৰ বাবে অ এন জি চি য়ে তেল খনন আৰু উন্নয়নৰ কাম লেহেমীয়া কৰিছে। অ এন জি চি ৰ বাৰ্ষিক বিত্তীয় ব্যয় ২০১৪ চনৰ বিত্তীয় বৰ্ষৰ ০.৩৬ কোটিৰ পৰা ২০২০ চনত ২৮২৪ কোটি টকা বৃদ্ধি হোৱাত বৃহৎ ধাৰত বোজা কঢ়িয়াব লগা হৈছে তেল খননৰ বাবে ২০১৪ চনত ১১০০০ কোটি টকা কৰিছিল আৰু ২০২০ চনত মাত্ৰ ৪৩০০ কোটি টকা ব্যয় কৰিছে। আৰু আমি ৰয়েলিটি পাওঁ, আমাৰ তেতিয়া নিজৰ ৰাজহ আহে সেই গতিকে আমাৰ নিশ্চিত ভাবে matter টো অকল central subject নহয় আমাৰ অসমৰ ইয়াত অংশ সোমাই আছে। আৰু matter of public importance বুলি যিটো কলো, ঠিক তেনেকৈ মহোদয়, যি কেইটা কথা থাকে যে matter must be definite, matter must be urgent যিহেতু প্ৰতিদিনে হৈ আছে,

বাজেটৰ দিনাখন দিব পাৰে যদি , যুক্তি থাকিব পাৰে বাজেটৰ দিনা কিয় ? কিন্তু বাজেটত কি হ'ব কি নহ'ব ইতিমধ্যে প্ৰস্তুতি কৰা হৈছে। আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে সেইখিনি তথ্য বনাইছে বুলি কৈছে। সেয়েহে আমি যদি এই দিশত এতিয়াই আলোচনা কৰো, তেতিয়া তেখেতে ৰাজহ বৃদ্ধি কৰাৰ সুৰুঙা পাব পাৰে। সেই কাৰণে আমি ৰাইজৰ স্বাৰ্থত এই কথাটো উল্লেখ কৰিব বিচাৰিছো। ঠিক তেনেকৈ যিহেতু গোটেই অসম বাসীয়ে এই ক্ষেত্ৰত ভুক্তভোগী, আমি অসম বিধান সভাই এই ক্ষেত্ৰত এই বিষয়টো আলোচনা কৰাৰ থল আছে বুলি ভাবো। restriction ৰ ক্ষেত্ৰত only one motion এই প্ৰথম কৰিছো। গতিকে এইটোৱে কোনো পুৰণৰ কথা তুলি নলয় যিটো ইয়াৰ আগৰ Session ত আৰম্ভ হৈছে। এইখনেই আমাৰ প্ৰথম Session যিহেতু বাজেটত মই যিটো কলো, সেইখিনি সময়ত আৰু পুঁজি সংগ্ৰহ কৰিব পাৰো নেকি ? এই কথাখিনি আছে লগতে যিটো restriction থাকে যে Judicial ৰ কথাত আছে নেকি ? সেইখিনিও নাই। যিহেতু কেন্দ্ৰীয় চৰকাৰে দুটা শ্বেয়াৰ লগাই সেই শ্বেয়াৰ কেইটাও কেন্দ্ৰীয় চৰকাৰে লয়। মুঠতে যদি ৩০ টকা হয়, আৰু জি এচ টি ৫০-৫০ হয়, কিন্তু যিবিলাক excise duty থাকে, তাৰ পৰা যদি ৪০ টকা মান কেন্দ্ৰীয় চৰকাৰে লৈছে, আমি ১০ টকামানহে পাই আছো। আমি আৰু পাব লাগে, আমাক যিহেতু special category কৰিছিল, আমি তেল উৎপাদন কৰো, সেই গতিকে গোটেই বিলাক চাই যিহেতু পৰিবহন ব্যয় ১০০ টকা যদি এটা সামগ্ৰীৰ পৰিবহন ব্যয় হয়, তাৰে ৬৫ টকা ইন্ধন ব্যয়, ২০ শতাংশ মান হয়, অন্যান্য parts repairing আৰু maintenance আৰু ১০ শতাংশমান transporter ৰ profit থাকে। এই ইমান বেছি ব্যয় হোৱাৰ কাৰণে যিহেতু পৰিবহন ব্যয়টো বৃদ্ধি হৈছে, সামগ্ৰী বাহিৰৰ পৰা আহি আছে, সেই কাৰণে আমাৰ খাদ্য সামগ্ৰীৰ মূল্য বৃদ্ধি হৈ আছে। গতিকে এইটো নিশ্চিতভাবে আলোচনা কৰিব পাৰি আৰু অন্যান্য সকলে বহুত কথা নিশ্চয়কৈ ইয়াত সংযোগ কৰিব। এইখিনি কৈ আপোনাক এইটো এডমিট কৰিবলৈ অনুৰোধ জনালো। ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম (মানকাচাৰ)** ঃ- অধ্যক্ষ মহোদয় এই বিষয়টোত আমাৰ অকনমান সংযোগ কৰিব লগা আছে।

**মাননীয় অধ্যক্ষ** ঃ- বিষয়টো একেই। ঠিক আছে যিখিনি থাকি গৈছে ২ মিনিট ২ মিনিট কৈ কওঁক।

**শ্ৰী আমিনুল ইছলাম (মানকাচাৰ)** ঃ- অধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো যে এই বিষয়টোৰ সম্পৰ্কত তেখেতে যিখিনি কথা ক'লে, admissibility ৰ কাৰণে যিটো recent occurrence আৰু public importance থকা বিষয় আৰু মই ভাবো যে মূল্য বৃদ্ধিতকৈ আৰু public importance থকা বিষয় অন্য নাই। ই ১০০ শতাংশই প্ৰত্যেকজন মানুহক চুই যায় আৰু এই মূল্য বৃদ্ধিৰ ফলত এজন ধনী মানুহৰ পৰা এজন ভিক্ষাৰী লোকে, প্ৰত্যেকজন মানুহেই প্ৰভাৱিত হৈ আছে। অৰুণোদয়ৰ কেইটামান টকা দিলেই বা অন্যান্য হিতাধিকাৰী কেইটামান টকা দিলেই তেওঁলোকে মূল্য বৃদ্ধিৰ ওপৰত মাহেকীয়া যিটো ওপৰঞ্চি পইচা তেখেত সকলৰ হাতৰ পৰা গৈ আছে, মানুহ বিলাক আজি পংগু হৈ গৈ আছে। প্ৰত্যেকখন সমাজৰ যিসকল শিক্ষিত ভদ্ৰ মানুহ, এই লকডাউনৰ পৰিস্থিতিত তেওঁলোকে ক'ব নোৱাৰে তেওঁলোকৰ অৱস্থা কি ? আমাক হাজাৰ হাজাৰ মানুহে ইনবক্সত মেচেজ কৰে চাৰ, আমি সমাজক দেখুৱাব নোৱাৰো, আমি ঘৰত খাব পোৱা নাই। পাৰিলে আমাৰ একাউন্টত কিবা এটা দিয়ক। অসমৰ বিভিন্ন সমষ্টিৰ পৰা এনেকৈ মানুহে আমাক মেচেজ কৰে। গতিকে ভিতৰত কি চলি আছে, মানুহে কিমান বিপদত পৰিছে,

গতিকে এইটো এটা অতি definite আৰু urgent matter আৰু এইটো recent occurrence হয় যিটো কালিও আছিল আৰু আজিও একেই মুল্য বৃদ্ধি হৈ আছে। গতিকে ইয়াত যিখিনি admissibility ৰ কথা আছে, প্ৰত্যেকটো পইন্টৰ পৰা এইটো utmost important আৰু আমি ভাবো এইটো আলোচনা কৰা অসমৰ সৰ্বসাধৰণৰ কাৰণে আটাইতকৈ important এটা কথা হ'ব য'ত প্ৰত্যেকজন মানুহে সকাহ পাব, দৰিদ্ৰসকলে সকাহ পাব। অধ্যক্ষ মহোদয় ইয়াত এটা কথা আছে, ৰুল ৬০ ত "The Speaker, if he/she gives consent under rule 56 and holds that the matter proposed to be discussed is in order, shall after the questions and before the list of business is entered upon, call the member concerned who shall raise in his/her place and ask for leave to move the adjournment of the House."

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** এই ক্ষেত্ৰত আৰু এটা কথা আপোনাক ক'ব বিচাৰিছো। ইয়াত যদিও আমাক কোৱা হৈছে যে, এই বিষয়টো ষ্টেট চাবজেক্ট নহয়, চেন্ট্ৰেল চাবজেক্ট আৰু আমাৰ ইয়াত যিটো শ্বেয়াৰ আৰু পেট্ৰ'ল - ডিজেলৰ যিটো পাব লগা আছে সেইটো চেন্ট্ৰেলে আমাক দিয়া নাই । এই তথ্যবিলাক সদনত আলোচনা কৰি আমি এটা সৰ্ব্ব সন্মত সিদ্ধান্ত ল'লে ভাল হয়। আটাইতকৈ ডাঙৰ কথাটো হ'ল- আমাৰ যোগান মন্ত্ৰী ডাঙৰীয়াই যিটো কৈছে নিমখৰ দায়িত্ব চৰকাৰে ল'ব - এতিয়া যে তেল, আলু , পিয়াজ, ডালি, চাউল ইত্যাদিৰ নিত্য আবশ্যকীয় বস্তুৰ ইমান মূল্য বৃদ্ধি হ'ল, চৰকাৰে নিমখৰ বাহিৰে অন্য সামগ্ৰীৰ মূল্য বৃদ্ধিৰ দায়িত্ব কি নল'ব নেকি ? গতিকে অধ্যক্ষ মহোদয় আপোনাক অনুৰোধ জনাইছো এই বিষয়টো এডমিট কৰি আলোচনা হ'ব লাগে।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ছাৰ , মই যিটো এডজৰ্নমেন্ট মোশ্যন দিছো সেই ক্ষেত্ৰত তাৰ এডমিচিব্লিটি নিশ্চিতভাবে আছে কাৰণ পেট্ৰলজাত সামগ্ৰী চেন্ট্ৰেল চাবজেক্ট বুলি ক'লে নহ'ব কাৰণ ইয়াৰ যিটো কৰ নিৰ্দ্ধাৰণ কৰা হয় বা কৰ আদায় কৰা হয় ইয়াত ৰাজ্যিক শ্বেয়াৰটো যথেষ্ঠ পৰিমানে আছে । এটা সময়ত চেন্ট্ৰেল গৰ্ভমেন্টে কৈছিল পেট্ৰ'লজাত সামগ্ৰীৰ দাম টো কমাব লাগিলে ষ্টেটৰ টেক্সটো কমাই দিব লাগিব। সেই অনুসৰি তেনেদৰে আমাৰ ষ্টেটৰ টেক্সটো কমোৱা-বঢ়োৱাটো হৈ থাকে। মই যিটো বিষয় আনিব খুজিছো অকল পেট্ৰল-ডিজেলৰ দাম বৃদ্ধিৰ বিষয়টোয়ে নহয় , ইয়াত পাবলিক ইর্ম্পটেন্স কেনেকৈ আছে আমাৰ দেবব্ৰত শইকীয়া ডাঙৰীয়াই উত্থাপন কৰিছে । কিন্তু নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ ( এচেনসিয়েল কম'ডিটিছ) যিটো দাম বৃদ্ধি হৈছে এই দাম বৃদ্ধিটো নিয়ন্ত্ৰণ কৰিব নোৱাৰা বুলি কৈ আমাৰ চৰকাৰৰ মন্ত্ৰী ডাঙৰীয়াই বক্তব্যত উল্লেখ কৰিছে। কাৰণ Essential commodities Act খন যিহেতু এতিয়া অকাৰ্য্যকৰী হৈছে বা ইয়াক নাকচ কৰিব বিচৰা হৈছে । কিন্তু সাধাৰণ জনতাৰ বাবে এটা সাংঘাতিক ধৰনৰ অসুবিধা হৈছে। জীৱন ধাৰণৰ বাবে নিত্য প্ৰয়োজনীয় বস্তুৰ বহু হাৰত দাম বৃদ্ধি হৈছে। মিঠাতেলৰ দাম দুশ টকাৰ ওপৰত, পিয়াজৰ দাম আকাশলঙ্ঘী হৈছে ভাবিব নোৱাৰি। এই ক্ষেত্ৰত পেট্ৰ'ল- ডিজেলৰ দাম বৃদ্ধিৰ লগতে ইয়াৰ সম্পৰ্ক আছে। যিহেতু পৰিবহনৰ কথা আছে। যিহেতু পৰিবহণটো আছে আনফালে Essential commodities ইয়াৰ ওপৰত কোনো নিয়ন্ত্ৰণ কেন্দ্ৰীয় চৰকাৰে নানে, ৰাজ্য চৰকাৰে মাৰ্কেটত কিছু অপাৰেশ্যন চলাব পাৰে। কিন্তু এই ক্ষেত্ৰত চৰকাৰ ব্যৰ্থ হোৱাৰ ফলত পাৱলিক লাইফ মিজাৰেৰল্ হৈছে। সেয়ে এনেকুৱা এটা বিষয় আমি আন আলোচনা স্থগিত কৰি আলোচনা কৰাৰ ইম্পৰ্টেন্স আছে। ৰাজ্যিক চৰকাৰৰ ক'ত ব্যৰ্থতাটো

আছে যে কিঞ্চিত পৰিমানে হ'লেও তেওলোকে মাৰ্কেটত নিত্য আৱশ্যকীয় সামগ্ৰীৰ দাম নিয়ন্ত্ৰণ কৰিব নোৱাৰে। এই ক্ষেত্ৰত আলোচনা কৰাৰ গুৰুত্ব আছে আৰু এই ক্ষেত্ৰত ইয়াৰ গুৰুত্ব অনুভৱ কৰি মই এই বিষয়টো আলোচনাৰ বাবে দাবী উত্থাপন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কংগ্ৰেছ, এ আই ইউ ডি এফ আৰু মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই যিটো সদন স্থগিত প্ৰস্তাৱ দিছে । এই প্ৰস্তাৱ কেইটাৰ ওপৰত আমি বিধান সভাৰ ৰুল এণ্ড প্ৰচিডিওৰ অধ্যয়ন কৰি দেখিলো যে, এই জাননী কেইখনৰ যোগেদি উল্লেখ্য কৰা বিষয়টোৰ লগত আমাৰ ৰাজ্য চৰকাৰ পোনপটীয়াকৈ জড়িত নহয়। অধ্যক্ষ ডাঙৰীয়া এই বিষয়টো হৈছে- পেট্ৰ'লিয়াম প্ৰাইছ ৰিলেটেড। এই পেট্ৰ'লিয়াম ৰিলেটেড মেটাৰটো listed under No-53 of Union List of the 7(seven) shedule of the Constitution of India, গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসম বিধান সভাৰ কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৭ নং নিয়মৰ উপধাৰা ৮ ৰ আওতাত বিষয়টো আলোচনাৰ বাবে গ্ৰহণযোগ্য নহয়। বিষয়টো যিহেতু ভাৰত চৰকাৰৰ অধীনত। পেট্ৰ'লৰ দাম ভাৰতবৰ্ষৰ প্ৰত্যেক ৰাজ্যত বাঢ়িছে। অসমত যদি বাঢ়িছে, মহাৰাষ্ট্ৰতো বাঢ়িছে, পশ্চিমবংগ, কেৰালাতো বাঢ়িছে । অসমত দাম কমিলে ভাৰতৰ আন ৰাজ্যতো দাম কমে। একেলগে হয় । গতিকে এই বিষয়টো ভাৰতবৰ্ষকেন্দ্ৰিক। গতিকে অসম চৰকাৰৰ এই ক্ষেত্ৰত কৰিবলগীয়া একো নাই। কভিডৰ ফাৰ্ষ্ট ৱেভত ৫ টকাকৈ কৰ ধাৰ্য্য কৰা হৈছিল প্ৰতি লিটাৰ পেট্ৰ'ল- ডিজেলত। যেতিয়া ক'ভিডৰ পৰিবেশ অলপ ভাল হৈ আহিল আমি সেই কৰ উঠাই ল'লো। আমি পেট্ৰ'ল- ডিজেলৰ দাম কমাইছিলো। ভাৰতৰ ৰাজ্যবিলাকৰ ভিতৰত অসমে প্ৰথম কৰ উঠাই লোৱা ৰাজ্য। সেই সময়ত বাৰত কোনো ৰাজ্যই নিজে লগোৱা কৰ উঠাই লোৱা নাছিল। গতিকে এই বিষয়টো গ্ৰহণযোগ্য নহয় বুলি আমি প্ৰতীয়মান হৈছো অধ্যক্ষ মহোদয়। অধ্যক্ষ ডাঙৰীয়া, অন্যান্য সামগ্ৰীৰ ক্ষেত্ৰতো মূল্যবৃদ্ধিৰ কথাটো উত্থাপন হৈছে। বিধান সভাত কোনো এক ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰাৰ কোনো সুযোগ নাথাকিলে বিষয়টো সভা স্থগিত প্ৰস্তাৱত উপস্থাপন কৰা হয়। কিন্তু চলিত বাজেট অধিবেশনত, সাধাৰণ আলোচনা, দাবী মঞ্জুৰী, ৰুল-৫৪, ৩০১ বা কৰ্ত্তন প্ৰস্তাৱ বা বাজেটৰ ওপৰত ডিবেট - যিহেতু বহু কেইটা ডিভাইচ আছে, তাত যিহেতু এই কথাটো আনিব পৰা যাব গতিকে আজি এই সভা স্থগিত প্ৰস্তাৱটো নাখাটে বুলি আমাৰ বিধান সভা পৰিচালনাৰ ৰুল এণ্ড প্ৰচিডিওৰমতে আমি অনুভৱ কৰিছো। গতিকে অধ্যক্ষ মহোদয় আমি আপোনাক এই ক্ষেত্ৰত এটা সিদ্ধান্ত ল'বলৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** বিষয়টো আছিল আজিৰ সদনৰ কাৰ্যসূচী স্থগিত ৰাখি আমি মূল্য বৃদ্ধিৰ বিষয়টো আলোচনা কৰিব লাগে, যিটো হ'ল এডজৰ্নমেন্ট মোশ্যন । এই বিষয়টো ৰাজ্য চৰকাৰৰ অধীনৰ বিষয় নোহোৱা বাবে মোৰ বিবেচনা মতে সদনৰ উত্তৰ বা সিদ্ধান্ত দিয়াৰ কৃতিত্ব নাই বুলি মই অনুভৱ কৰিছো। অন্যান্য অতি আৱশ্যকীয় বস্তু যিটো কথা, ইয়াত কোনো নিৰ্দ্দিষ্টকৈ নাই যে কোনটো বিষয়ত হ'ব, আবশ্যকীয় সকলো বস্তুৰে হ'ব পাৰে। এই বিষয়টো আমাৰ সদন বা বিধান সভাৰ অন্যান্য যি ডিভাইচ বা কাৰ্যসূচী আছে তাত আলোচনা কৰাৰ যথেষ্ট সুযোগ আছে। ১ মহীয়া বাজেট অধিবেশনত ১৫ দিন চিটিং হ'ব। মন্ত্ৰী ডাঙৰীয়াই বাজেট ডিচকাশ্যনৰ কথা উল্লেখ কৰিছে, কাট মোশ্যনৰ কথা কৈছে, ৩০১, ৫৪ এই ডিভাইচত পাব্লিক ইম্পৰ্টেন্স ইছ্যুবিলাক আমি আনিব পাৰো। আজি জিৰো আৱাৰৰ নোটিচ কোনো সদস্যই দিয়া নাই। আমাৰ আজি জিৰো আৱাৰৰ নোটিছটো নীল হৈছে। এই বিষয়টো জিৰো আৱাৰত আজিও আলোচনা কৰিব পাৰিলো

হয়। দৈনন্দিন চলি থকা বিষয় বস্তু বা ইচ্ছ্যুৰ ওপৰত যদি কিবা এটা ইচ্ছ্যু থাকে আমি জিৰো আৱাৰতে ডিছকাশ্যন কৰিব পাৰো। গতিকে এই সুযোগবিলাক আছে । নোটিচ যদি আহিলেহেঁতেন আজিও আলোচনাৰ বাবে আমাৰ সুযোগ আছিল। গতিকে সদনৰ আন কাৰ্যসূচী স্থগিত নোহোৱাকৈও আমি দৈনন্দিন জীৱনৰ এই ইচ্ছ্যুবিলাক এইবোৰ ডিভাইচত আলোচনা কৰিব পাৰো। সদনৰ যিবিলাক কাৰ্যসূচী সেইখিনি গোটেই ৰাজ্য আৰু জনসাধাৰনৰ বাবে ইম্পৰ্টেন্ট। গতিকে আমি এই কাৰ্যসূচী ড্ৰপ কৰিব নোৱাৰো। গতিকে স্পীকাৰ হিচাপে দুয়ো পক্ষকে শুনি মই সিদ্ধান্ত ঘোষণা কৰিছো যে -যিটো এডজৰ্ণ মোশ্যন আনিছে বিৰোধীয়ে সেইটো সদনৰ গ্ৰহণযোগ্য নহয়।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যিকেইটা কথা ক'লে আৰু মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিটো ক'লে, সেই কথাখিনি এনেকুৱা হৈছে যে আমি বেলেগ ডিভাইচত আলোচনা কৰিব পাৰো। কিন্তু adjourned motion ৰ criteria যিটো দিছে, সেইটো দিছে যে...

**শ্ৰী পিযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়াই Ruling দিয়াৰ পাছত আৰু ডিবেট হ'ব নোৱাৰে।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, adjourned motion ৰ যোগেদি দিব পাৰো। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য খুব জৰুৰী আৰু আমি সেই ডিভাইছত আনিছো। তাৰ পাছৰ 301, 54 সেইবিলাকৰ লগত adjourned motion নহয়। Adjournment motion shall be given atleast one hour before the commencement of the sitting on the day. আমি নিয়মমতে দিছো। অধ্যক্ষক দিব লাগে, অধ্যক্ষক দি ছো।

**(সদনত হুলস্থূল)**

**মাননীয় অধ্যক্ষঃ** মই চৰকাৰৰ পক্ষৰ পৰা শুনিলো। এতিয়া আমি অন্য কাৰ্য্যসূচীলৈ যাম।

**(সদনত হুলস্থূল)**

**মাননীয় অধ্যক্ষঃ** মই বুজি পাইছো, মোক কবলৈ দিয়ক।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে এই বিষয়ে আলোচনা কৰিম বুলি কৈছিল আৰু মুখ্যমন্ত্ৰীয়ে প্ৰথমখন অধিবেশনত আমাক কৈছিল যে, Adjournment motion আনিলে কোনো আপত্তি নাথাকে।

**(সদনত হুলস্থূল)**

**মাননীয় অধ্যক্ষঃ** Already এই subject টো হৈ গ'ল। চাওঁক, সকলোৱে যদি নিজৰ ষ্টাইলত কথাটো ক'ব বিচাৰে মই কিয় আছো? সকলোৱে বহকচোন।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মূল্যবৃদ্ধিৰ ওপৰত কথা ক'বলৈ নিদিয়াতো মই ভাবো যে, এইটো অত্যন্ত ক'লা কথা হ'ব, অত্যন্ত ভূল কথা হ'ব।

**(সদনত হুলস্থূল)**

**মাননীয় অধ্যক্ষঃ** মই কি কৈ আছো শুনক। বহকচোন, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১৮৬ (২) নং নিয়মৰ অধীনত মাননীয় সদস্য/সদস্যাসকলৰ জ্ঞাতাৰ্থে জনাব বিচাৰো যে, অসম বিধান সভাৰ ১০১ নং মৰিয়নী বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচিত সদস্য শ্ৰীৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যোৱা ১৮ জুন, ২০২১ তাৰিখে কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১৮৬(১) নং নিয়মৰ অধীনত বিধান সভাৰ সদস্যপদৰ পৰা পদত্যাগ কৰে। শ্ৰীৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াৰ পদত্যাগপত্ৰ ১৮ জুন, ২০২১ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ গ্ৰহণ কৰা হয়। ইয়াৰ

পাছত কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন আছে যে, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ ৰ অধীনত অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক অধ্যক্ষৰ কাৰ্য্যালয়ৰ সভাকক্ষত যোৱা ইং ২৪ জুন, ২০২১ তাৰিখে আবেলি ২-০০ বজাত অনুষ্ঠিত কৰা হয় আৰু বৈঠকত আজি ইং ১২ জুলাই, ২০২১ তাৰিখৰ পৰা আৰম্ভ হোৱা অসম বিধান সভাৰ বাজেট অধিবেশনৰ দিনপঞ্জীখন আৰু বিধান সভাৰ বাজেট অধিবেশনৰ প্ৰশ্ন সমূহৰ বাবে বিভিন্ন বিভাগৰ দিনসমূহৰ ক্ৰমানুসাৰ আৱণ্টনৰ লগত বেলটৰ তাৰিখ, প্ৰশ্ন সমূহৰ জাননী পোৱাৰ শেষ তাৰিখ দেখুওৱা তালিকাখনো সমিতিয়ে পুংখানুপুংখভাৱে চালিজাৰি চোৱাৰ অন্তত সৰ্বসন্মতিক্ৰমে অনুমোদন জনায়। .............**(সদনত হুলস্থূল)............**

**শ্ৰীনুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি হাউচ Adjourn কৰিছে বুলি এতিয়া কৈছে।

**মাননীয় অধ্যক্ষঃ** House Adjourn হোৱা নাই। যদি শুনিব বিচাৰিছে শুনক, otherwise আপোনাৰ লীডাৰক follow কৰক। যদি লীডাৰৰ লগত থাকিব নোৱাৰে, আপুনি অকলশৰীয়াকৈ কিবা কৰক। আপোনালোকে কি motion আনিছিলে, মোক কওঁকচোন। আপোনালোকে আগতে Adjourn আনি হাউচত কিয় সোমাইছিলে ? যুক্তি বিলাক চাওক। এইখিনি নিয়ম নাজানিলে কেনেকৈ হ'ব ? আপোনালোকে Adjournment লিখি দিছে।

**শ্ৰীনুৰুল হুদা (ৰূপহীহাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰেৰ্কডিংটো আকৌ বজাই দিয়ক।

**মাননীয় অধ্যক্ষঃ** ৰেৰ্কডিংটো আপুনি চাওঁক। The House adjourment issue is not accepted.

**(সদনত হুলস্থূল)**

তেখেতসকলৰ মাজত অলপ কিবা হৈছে চাগে। confusion আছে। মানে পাহৰি গ'ল তেওঁলোকে কোনটো পাৰ্টিৰ লগত আছে। এইটো হয় কেতিয়াবা সভাত। এতিয়া অধিবেশনৰ মুঠ ১৫ দিনীয়া কাৰ্য্যসূচীৰ ভিতৰত দুদিন বে-চৰকাৰী সদস্যৰ কাৰ্য্যসূচী আৰু ১৩ দিন চৰকাৰী কাৰ্য্যসূচীৰ ভিতৰত এদিন অধ্যক্ষৰ উদ্যোগৰ বাবে নিৰ্দ্ধাৰিণ কৰা হয়। ইং ১৬ জুলাই ২০২১ তাৰিখে অসম চৰকাৰৰ ২০২১-২০২২ বৰ্ষৰ বাৰ্ষিক বিত্তীয় প্ৰতিবেদন (প্ৰাক্কলিত বাজেট) উত্থাপন কৰিব আৰু বাজেটৰ ওপৰত ইং ১৯ আৰু ২০ জুলাই, ২০২১ তাৰিখে সাধাৰণ আলোচনা অনুষ্ঠিত কৰাৰ বাবে সমিতিয়ে সিদ্ধান্ত লয়। সমিতিয়ে অধিবেশনত মাননীয় সদস্যসকলে দাখিল কৰা বিভিন্ন প্ৰশ্নৰ উত্তৰ সমূহ সংশ্লিষ্ট বিভাগ সমূহে দুদিন আগতে অসম বিধান সভাৰ প্ৰশ্ন শাখাত জমা দিব লাগিব বুলি সিদ্ধান্ত লয়। অসম চৰকাৰৰ বিত্ত বিভাগৰ পৰা পোৱা পত্ৰৰ ওপৰত আলোচনা কৰিবলৈ যোৱা ইং ৯ জুলাই, ২০২১ তাৰিখে বিয়লি ৪ বজাত অধ্যক্ষৰ কাৰ্য্যালয় সভা কক্ষত অসম বিধানসভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন সভা অনুষ্ঠিত হয় আৰু সভাই অসম চৰকাৰৰ বিত্ত বিভাগৰ পত্ৰৰ ওপৰত আলোচনা কৰি চলিত অধিবেশনৰ দিনপঞ্জীখনৰ আজিৰ ইং ১২ জুলাই, ২০২১ তাৰিখৰ ১০ নং কাৰ্য্যসূচীটো আৰু অহা ইং ১৫ জুলাই, ২০২১ তাৰিখৰ ২ আৰু ৩ নং কাৰ্য্যসূচী দুটা বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু ইং ১৫ জুলাই, ২০২১ ত যদি চৰকাৰী বিধেয়ক থাকে তেন্তে উত্থাপন কৰিব পাৰিব বুলি সিদ্ধান্ত গ্ৰহণ কৰে। সদনত উত্থাপন কৰা চৰকাৰী বিধেয়ক সমূহৰ ওপৰত আলোচনা কৰাৰ অন্তত সংশোধনী প্ৰস্তাৱ সমূহ আনিব পাৰিব বুলিও সভাই সিদ্ধান্ত লয়। সভাই বিধান সভাৰ অধিবেশন ৰাষ্ট্ৰীয় সংগীতেৰে আৰম্ভণি আৰু অসমৰ জাতীয় সংগীতেৰে শেষ কৰাৰ

বাবে সৰ্বসন্মতিৰে সিদ্ধান্ত গ্ৰহণ কৰে। মৃত্যু প্ৰসংগ কাৰ্য্যসূচীৰ কিছু সালসলনি ঘটায় সদনৰ কাৰ্য্যসূচী আৰম্ভণিতে মৃত্যু প্ৰসংগ অনুষ্ঠিত কৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে। ইতিমধ্যে চলিত বাজেট অধিবেশনত দিনপঞ্জীখন সদনৰ মাননীয় সকলো সদস্য/সদস্যাৰ মাজত বিতৰণ কৰা হৈছে। আশা কৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে। এতিয়া Item No. 4. অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ৯(১) ৰ অধীনত পঞ্চদশ অসম বিধান সভাৰ দ্বিতীয় অধিবেশন পৰিচালনা কৰিবৰ বাবে নিম্নোলিখিত মাননীয় সদস্য কেইগৰাকীক সভাপতি হিচাপে মনোনীত কৰা হ'ল-

(১) শ্ৰী ৰঞ্জিত দত্ত।

(২) শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

(৩) শ্ৰী ওয়াজেদ আলী চৌধুৰী।

(৪) শ্ৰী ৰবিৰাম নাৰ্জাৰী। এতিয়া Item No. 5, Rule 54, মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৫৪ নং দফাৰ অধীনত ২০২১ চনৰ ২ জুলাই তাৰিখৰ "অসমীয়া খবৰ" কাকতত প্ৰকাশিত "পৰীক্ষাত পাছ, চাকৰিত ফেইল" শীৰ্ষক বাতৰিটোৰে শিক্ষা মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব। তেখেত নাই, absent. এতিয়া 301. মাননীয় সদস্য শ্ৰী হেমাংগ ঠাকুৰীয়া ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৩০১ নং দফাৰ অধীনত "কল গছ, নেমু গছৰ বীমাকৰণ সম্পৰ্কে" শীৰ্ষক বিষয়টো কৃষি বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব।

**শ্ৰীহেমাংগ ঠাকুৰীয়া (পলাশবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু সদনৰ জৰিয়তে মই মাননীয় কৃষি মন্ত্ৰী মহোদয়ক এটা গুৰুত্বপূৰ্ণ বিষয় অৱগত কৰিব বিচাৰিছো। এই বিষয়টো অকল পলাশবাৰী সমষ্টিয়েই নহয় গোটেই অসমৰ লগত জড়িত। যোৱা মে' মাহত যেতিয়া মই বিধায়ক হিচাবে নিৰ্বাচিত হওঁ, সেই সময়ত অহা ধুমুহাৰ ফলত মোৰ সমষ্টিৰ বেজাৰটাৰি, চাপাৰটাৰি আৰু বৃহত্তৰ চানডুবি অঞ্চলত যি কল খেতি আছিল, তাৰ বিস্তৰ ক্ষতি হোৱা বুলি খেতিয়ক সকলে মোক ফোন কৰি জনাইছিল। সেই অঞ্চলবোৰত মই practically পৰিভ্ৰমণ কৰি এক বৃহৎ অঞ্চলৰ বিস্তৰ ক্ষতি হোৱা দেখিবলৈ পাইছিলো। মই ইয়াত কৃষকসকলৰ পৰা গম পালো যে খেতিৰ বাবে insurance ৰ কোনো ধৰণৰ ব্যৱস্থা নাই। আমি জানো যে, ভাৰতবৰ্ষ তথা পৃথিৱীৰ ভিতৰত অসমকে ধৰি আন পাঁচখন ৰাজ্যই আটাইতকৈ বেছি কলৰ উৎপাদন কৰে। গতিকে, এই insurance ৰ সুবিধা নথকাৰ বাবেই কিছু খেতিয়কে আজিকালি কলৰ খেতি কৰাৰ পৰা বিৰত থাকে। আন কিছুমান শস্যৰ ক্ষেত্ৰত যিদৰে insurance ৰ ব্যৱস্থা আছে, তেনেকৈ কল খেতিৰ ক্ষেত্ৰতো কিবা insurance ৰ ব্যৱস্থা গ্ৰহণৰ যো-জা চলি আছে নেকি, সেই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। ইয়াৰ লগে লগে মই মাননীয় মন্ত্ৰী মহোদয়ক এটা কথা উনুকিয়াই দিব বিচাৰিছো যে অসমৰ মালভোগ কল ডুবাইলৈ ৰপ্তানি কৰা হয় যদিও অন্য ৰাজ্যই বিভিন্ন ধৰণৰ ফল ইতিমধ্যে বিভিন্ন দেশলৈ ৰপ্তানি কৰি প্ৰত্যেক বছৰে 50 million US Dollar কল খেতিৰ পৰাই পাই আছে। এই ক্ষেত্ৰত, অসমৰ কল খেতিয়ক সকলক যদি ইউ.এ.ই, ওমান, চৌদি আৰব, ইৰান, কুৱেইট, কাটাৰ, বেহৰাইন, ইৰাক আদি দেশত ৰপ্তানি কৰাৰ ব্যৱস্থাটো কৰি দিয়া হয় তেন্তে নিশ্চিতভাৱে খেতিয়কসকল যথেষ্ট উপকৃত হ'ব। ভাৰতীয় বৈজ্ঞানিক সকলে কৈছে যে অসমত যথেষ্ট উৰ্বৰতা আছে। কলৰ পৰাই আমি আৰ্থিক বিকাশ ঘটাব পাৰো। মোৰ সমষ্টিৰ ওচৰত দৰংগিৰি নামেৰে গোৱালপাৰাত এখন ঠাই

আছে য'ত এছিয়াৰ ভিতৰত এখন বৃহৎ বজাৰ হয় আৰু তাত আমাৰ চুবুৰীয়া দেশ ভূটান আৰু নেপালৰ পৰা ৬০-৭০ খন ট্ৰাকেৰে কল বিক্ৰী কৰা হয়। গতিকে, আমিও যদি এনেদৰে অন্যান্য দেশলৈ ৰপ্তানি কৰো তেন্তে আমাৰ খেতিয়ক সকলে তিনিগুণ বেছি টকা পোৱাৰ সুবিধা হোৱাৰ লগতে আমাৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰতো সুবিধা হ'ব। গতিকে, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ৰপ্তানিৰ ক্ষেত্ৰত কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি?

আনহাতে, নেমু খেতিৰ ক্ষেত্ৰতো দেখিবলৈ পাইছো যে আগতে বিভিন্ন অঞ্চলত যিদৰে নেমু খেতি কৰিছিল, সেই খেতি ধুমুহাৰ ফলত বিনষ্ট হোৱাৰ বাবে আজিকালি ইয়াৰ খেতি কমি গৈছে। আমাৰ অসমত বিভিন্ন প্ৰকাৰৰ নেমু আছে আৰু বিশেষকৈ কাজি নেমুৱে ইতিমধ্যে লণ্ডনত প্ৰসাৰ পাইছে। কাজি নেমুৰ ৰপ্তানি লণ্ডনৰ বাহিৰে অন্যান্য কোনো দেশতে হোৱা নাই। ভাৰতৰ বিভিন্ন ৰাজ্যৰ নেমু কুৱেইট, কানাডা, হংকং, বেহৰাইন, নিউজিলেণ্ড, ইউ.এচ.এ.লৈ ৰপ্তানি কৰা হয়। গতিকে, অসমৰ ক্ষেত্ৰত এনে কিবা ব্যৱস্থা লোৱা হৈছে নেকি? মই জানিব পৰা মতে, ধেমাজি জিলাৰ নেমু কেৰালাৰ এটা কোম্পানীৰ লগত যোগাযোগ কৰি জাপানলৈ পঠিওৱাৰ ব্যৱস্থা কৰা হৈছে। এনে ব্যৱস্থা যদি অন্যান্য জিলা সমূহতো কৰি দিয়া হয় তেন্তে আমাৰ খেতিয়কসকলো যথেষ্ট উপকৃত হ'ব আৰু এইটো আমাৰ অৰ্থনীতিৰ লগতো জড়িত। অসমত ১৫ বিধতকৈ বেছি কল প্ৰস্তুত হয়। গতিকে, আমি কৃষকসকলক যদি এইখিনি সুবিধা কৰি দিওঁ, তেন্তে অসমৰ কল আৰু নেমুয়েও চাহপাতৰ নিচিনাকৈ বিশ্বত এখন ভাল বজাৰ দখল কৰিব পাৰিব। মাননীয় কৃষি মন্ত্ৰী মহোদয়ক মোৰ এইখিনিয়েই ক'বলগীয়া আছিল। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** কৃষি মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা (কৃষি বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী হেমাংগ ঠাকুৰীয়া ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ নিয়ম '৩০১' ৰ অধীনত কলগছ, নেমু গছৰ বীমাকৰণ সম্পৰ্কে আমাৰ মনোযোগ আকৰ্ষণ কৰাৰ বাবে তেখেতক মই ধন্যবাদ জনাইছো। অসমত প্ৰচুৰ পৰিমাণে কলৰ উৎপাদন হয়। তেখেতে উল্লেখ কৰা গোৱালপাৰা জিলাৰ দৰংগিৰিত এখন ডাঙৰ বজাৰ আছে আৰু এই বজাৰখনক এছিয়াৰ ভিতৰত কলৰ সৰ্ববৃহৎ বজাৰ বুলি কোৱা হয়। মই নিজেও তালৈ গৈ কলৰ খেতিয়ক সকলৰ লগত মত-বিনিময় কৰিছো। যোৱা বছৰ, ক'ৰণা মহামাৰীৰ ফলত কৃষক তথা কৃষিক্ষেত্ৰখনৰ যথেষ্ট ক্ষতি সাধন হৈছিল। সেই সময়ত কলৰ খেতিয়ক সকলো যথেষ্ট সমস্যাৰ সন্মুখীন হৈছিল। মই তালৈ গৈ খেতিয়ক সকলক লগ কৰাৰ লগতে কিছুমান ব্যৱসায়ীকো লগ পাইছিলো। যিবোৰ ব্যৱসায়ীয়ে কলখিনি দৰংগিৰিৰ পৰা বাহিৰলৈ লৈ যায়। তাত বিহাৰৰ লগতে অন্যান্য ৰাজ্যৰ ব্যৱসায়ী আছিল। তাৰ পিছতেই মই অনুভৱ কৰিলো যে বজাৰখন সৰ্বাংগ সুন্দৰ হিচাপে যদি নিৰ্মাণ কৰা যায় লগতে কলৰ খেতিয়কসকলক যদি উৎসাহিত কৰা হয় তেন্তে আৰু ভাল হ'ব। আমি তাৰে কেই গৰাকীমান কৃষকক চৰকাৰৰ কৃষি বিভাগৰ জৰিয়তে পুৰস্কৃতও কৰিছো। যোৱা বছৰ প্ৰথম বাৰৰ বাবে আমাৰ চৰকাৰে আমাৰ উৎপাদিত ফচল বিদেশৰ বজাৰলৈ নিয়াৰ ব্যৱস্থা কৰিছিল আৰু ইয়াৰ ফলত কৃষকসকল উপকৃতও হৈছিল। যোৱা বছৰৰ দৰে এইবাৰো আমাৰ হাতত প্ৰস্তুতি আছিল। ৰপ্তানি কৰাৰ বাবে যাৱতীয় ব্যৱস্থাও আমি গ্ৰহণ কৰিছিলো। এই ক্ষেত্ৰত, এপাৰ্ট, কৃষি আৰু উদ্যান শস্য বিভাগেও কিছু কৰিছিল। কিন্তু, কৰ'ণাৰ দ্বিতীয় ঢৌৱে আমাক যথেষ্ট অসুবিধাত পেলালে। তৎসত্বেও আপোনালোকে সংবাদ মাধ্যমৰ জৰিয়তে গম পাইছে যে আমাৰ নেমু ইতিমধ্যে লণ্ডনলৈ ৰপ্তানি কৰা হৈছে। ঠিক তেনেদৰে, কলো ৰপ্তানি কৰা হৈছে আৰু ভৱিষ্যতৰ দিনত কেৱল

ডুবাই, লণ্ডনলৈ নহয়, পৃথিৱীৰ অন্যান্য দেশলৈও যাতে আমি ৰপ্তানি কৰিব পাৰো তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে চিন্তা-চৰ্চা কৰাই নহয় আমি কাৰ্য্যতঃ কেতবোৰ আঁচনি-পৰিকল্পনা হাতত লৈছো। অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে কল আৰু নেমুৰ খেতি যিহেতুকে প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাৰ অন্তৰ্গত নহয়, গতিকে ইয়াৰ ক্ষেত্ৰত কিবা ব্যৱস্থা গ্ৰহণ কৰি খেতিয়কসকলক উপকৃত কৰিব পাৰি নেকি সেই বিষয়ে উত্থাপন কৰিছে। এই ক্ষেত্ৰত, আমাৰ কলৰ উৎপাদন আৰু ইয়াৰ খেতিৰ মাটিকালি কিমান সেই বিষয়ে জানিব লাগিব। অসমত কল খেতিৰ মুঠ মাটিকালি হৈছে- ৫১,১১৩ হেক্টৰ আৰু মুঠ উৎপাদন হৈছে- ৯১,৭,৭৯২ মেট্ৰিক টন। ঠিক তেনেকৈ, কাজি নেমুৰ খেতিৰ মাটিকালি হৈছে- ১৩,৪০২ হেক্টৰ আৰু মুঠ উৎপাদন হৈছে- ১,১৯,৩১৮ মেট্ৰিক টন। গতিকে, মই ভাৱো, আমি যদি এই দুয়োটা খেতিৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিওঁ তেতিয়াহ'লে আৰু অধিক উৎপাদন আমাৰ ৰাজ্যখনত কৰিব পৰা যাব। আমাৰ সচৰাচৰ খেতি বুলিলে ধানৰ কথাই মনলৈ আহে। কিন্তু, শেহতীয়াকৈ উদ্যান শস্যৰ ওপৰত উঠি অহা চামটোৱে যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে আৰু ইয়াৰ জৰিয়তে আমাৰ উৎপাদনো যে বৃদ্ধি হ'ব, তাত কোনো সন্দেহ নাই। দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ২০২২ চনটো লক্ষ্য হিচাপে লৈছে যাতে কৃষকৰ আয় দুগুণ কৰিব পৰা যায় আৰু যোৱা ৫ টা বছৰত আমি কৃষি খণ্ডলৈ এক যুগান্তকাৰী পৰিবৰ্তন আনিবৰ কাৰণে চেষ্টা কৰিছো। এইবাৰো আমাৰ চৰকাৰ গঠন হোৱাৰ পাছত আৰম্ভণিৰে পৰা মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব লোৱাৰ পিছতে আমাৰ বিভাগৰ বিষয়া সকলৰ লগত বিস্তৃতভাৱে আলোচনা কৰিছিল। তেখেতে কৈছে যে যিহেতু আমাৰ ৰাজ্যখন এখন কৃষি প্ৰধান ৰাজ্য আৰু এই ক্ষেত্ৰখনৰ জৰিয়তে আমি কিদৰে স্ব-নিয়োজনৰ ব্যৱস্থা কৰিব পাৰো তাৰ কাৰণে এখন আঁচনি প্ৰস্তুত কৰিব লাগে। সেই কাম আমি কৰি আছো। প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাৰ ওপৰতো তেখেতে বিস্তৃতভাৱে আলোচনা কৰিছে আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহন কৰিছে। আমাৰ দেশত শস্য বীমা যোজনা ৩২ বছৰ আগৰ পৰাই চলি আহিছে। সেই সময়ৰ তদানীন্তন ভাৰত চৰকাৰে প্ৰথমবাৰৰ কাৰণে ১৯৮৫ চনত এই আঁচনিখন সামগ্ৰীক 'শস্য বীমা আঁচনি', (Comprehensive Crop Insurance Scheme) CCIS নামেৰে মুকলি কৰিছিল। ইয়াৰ পিছত এই আঁচনিখন ১৯৯৭ চনত 'পৰীক্ষামূলক শস্য বীমা আঁচনি' (Experimental Crop Insurance Scheme) আৰু ২০০০ চনত 'বীজ শস্য বীমা' (Pilot Scheme on Seed Crop Insurance) আৰু ২০০৩ চনত 'খেতি উপাৰ্জনৰ শস্য বীমা আঁচনি' (Farm Income Insurance Scheme) আৰু ২০০৭ চনত 'বতৰ আধাৰিত শস্য বীমা আঁচনি', (Weather Based Crop Insurance Scheme) WBCIS আৰু ২০১৩ চনত 'ৰাষ্ট্ৰীয় শস্য বীমা আঁচনি', (National Crop Insurance Scheme ) নামেৰে নামাকৰণ কৰা হৈছিল। এই সকলোবোৰ আঁচনিৰ প্ৰধান উদ্দেশ্য সমূহ সাৰোগত কৰি ২০১৬ চনত প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা নামেৰে এই আঁচনিখন নতুনকৈ মূকলি কৰা হয় আৰু লগে-লগে উপৰোক্ত আঁচনিসমূহ WBCIS ৰ বাহিৰে বাকী সকলো বন্ধ কৰি দিয়া হয়। 'বতৰ আধাৰিত শস্য বীমা আঁচনি', RWBCIS খন বৰ্তমান 'পুনৰ সংগঠিত বতৰ আধাৰিত শস্য বীমা আঁচনি', NAIS নামেৰে নামাকৰণ কৰা হৈছে। ২০১৬ চনত তদানীন্তন ভাৰত চৰকাৰে পূৰ্বতে প্ৰচলিত দুখন আঁচনি ক্ৰমে 'ৰাষ্ট্ৰীয় কৃষি বীমা আঁচনি', (National Agriculture Insurance Scheme) আৰু 'পৰিৱৰ্তিত ৰাষ্ট্ৰীয় কৃষি আঁচনি', ( Modified National Agricultural Insurance Scheme) ত থকা আসোঁৱাহবোৰ দূৰ কৰি 'প্ৰধান মন্ত্ৰী ফচল বীমা

যোজনা' খন মুকলি কৰি দিয়ে। এই আঁচনিখনে খাৰিফ শস্য বীমা ৰাশি দুই শতাংশ আৰু ৰবি শস্য বীমা ৰাশি ১.৫ শতাংশ প্ৰিমিয়ামৰ হাৰ ধাৰ্য্য কৰা হৈছে। এই ৰবি শস্যৰ প্ৰিমিয়ামৰ হাৰ তৈল বীজ জাতীয় শস্যৰ ক্ষেত্ৰতো প্ৰযোজ্য। বাণিজ্যিক ভিত্তিত কৰা খেতি যেনে- কপাহ আৰু আন আন উদ্যান শস্যৰ বাবে প্ৰিমিয়ামৰ হাৰ বীমা ৰাশিৰ ওপৰত ৫ শতাংশকৈ ধাৰ্য্য কৰা হৈছে। অসম চৰকাৰে ২০১৮ চনৰ ৰবি ঋতুৰ পৰা প্ৰমিয়ামৰ হাৰৰ এশ শতাংশ ৰাজ সাহাৰ্য্য প্ৰদান কৰি আহিছে। অৰ্থ্যাৎ এই আঁচনিখনৰ দ্বাৰা জাননীকৃত শস্যৰ (Notified Crops) ৰ বাবে কৃষক সকলে মাত্ৰ এটকা দৰত এই শস্য বীমা ক্ৰয় কৰিব পাৰিব। অসমত ৰাজ্য চৰকাৰে খাৰিফ ঋতুৰ বাবে মাটি মাহ, শালি ধান, মৰাপাট আৰু ৰবি ঋতুৰ ক্ষেত্ৰত বড়ো ধান, আগতীয়া আহু ধান, আলু, কুঁহিয়াৰ, সৰিয়হ শস্য সমূহক এই আঁচনিখনৰ অধীনত জাননীকৃত কৰিছে। তেখেতে যিটো কথা কৈছে যে কল আৰু নেমু খেতি প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাৰ অন্তৰ্গত যিহেতু নহয় গতিকে উক্ত খেতিৰ Restructure Weather Based Crop Insurance Scheme ৰ অন্তৰ্গত। এই আঁচনিৰ automatic weather station প্ৰয়োজন হয়। অসম চৰকাৰে Skymate ৰ পৰা মাহিলী তথ্যখিনি লোৱাৰ বাবে যোগাযোগ কৰিছে। যদি এই ব্যৱস্থা হয় তেতিয়াহলে RWBCIS ৰ অধীনত কল আৰু নেমু খেতি আদিৰ বাবে হোৱা উন্নয়ন খণ্ডত বীমা কৰিব পৰা যাব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৬ (খ)। মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৩০১ নং দফাৰ অধীনত বৰপেটা জিলাৰ বামুনডংৰা আৰু কামৰূপ জিলাৰ নগৰবেৰা নাইবা বৰপেটা জিলাৰ সত্ৰকনাৰ আৰু গোৱালপাৰা জিলাৰ শিমলীতলা সংযোগী ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত এখন পকী দলং নিৰ্মাণ শীৰ্ষক বিষয়টো লোকনিৰ্মাণ বিভাগৰ মনোযোগ আকৰ্ষণ কৰিব। তেখেত অনুপস্থিত। গতিকে এতিয়া পৰৱৰ্তী কাৰ্য্যসূচী নং ৭। মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহা হিচাপ পৰীক্ষকৰ সামাজিক, অৰ্থনৈতিক (অনা ৰাজহুৱা) খণ্ডৰ প্ৰতিষ্ঠান সমূহ আৰু সাধাৰণ খণ্ডৰ ওপৰত ২০২১ চনৰ প্ৰতিবেদন নং ১, অসম চৰকাৰৰ ২০১৯ চনৰ ৩১ মাৰ্চত সমাপ্ত বছৰটোৰ প্ৰতিবেদনখন সদনত উত্থাপন কৰিব।

**শ্ৰীপীযুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহা হিচাপ পৰীক্ষকৰ যি সামাজিক, অৰ্থনৈতিক (অনা ৰাজহুৱা) খণ্ডৰ প্ৰতিষ্ঠান সমূহ আৰু সাধাৰণ খণ্ডৰ ওপৰত ২০২১ চনৰ প্ৰতিবেদন নং ১, অসম চৰকাৰৰ ২০১৯ চনৰ ৩১ মাৰ্চত সমাপ্ত বছৰটোৰ প্ৰতিবেদনখন সদনত উপস্থাপন কৰিলো।

(Hon'ble Speaker on the chair)

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ৮। অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ মাননীয় সভাপতি শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই সমিতিৰ ৫৪, ৫৫ আৰু ৫৬ তম প্ৰতিবেদন তিনিখন সদনত দাখিল কৰিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান স ভাৰ ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ ৫৪,৫৫ আৰু ৫৬ তম প্ৰতিবেদন তিনিখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে ২০২১ চনৰ ১২ ফেব্ৰুৱাৰীৰ পৰা ২০২১ চনৰ ৪ জুন তাৰিখলৈ ১২ খন অসাধাৰণ ৰাজপত্ৰৰ অধিসুচনা সদনত দাখিল কৰিব।

**শ্ৰীমতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** माननीय অধ্যক্ষ মহোদয়, মই ২০২১ চনৰ ১২ ফেব্ৰুৱাৰীৰ পৰা ২০২১ চনৰ ৪ জুন তাৰিখলৈ ১২ খন অসাধাৰণ ৰাজপত্ৰৰ অধিসুচনা সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে ২০১৩-১৪, ২০১৪-১৫, ২০১৫-১৬ আৰু ২০১৬-১৭ চনৰ Assam State Legal Services Authority, Guwahati ৰ পৃথক হিচাপ পৰীক্ষাৰ প্ৰতিবেদন ৪ খন সদনত দাখিল কৰিব।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০১৩-১৪, ২০১৪-১৫, ২০১৫-১৬ আৰু ২০১৬-১৭ চনৰ Assam State Legal Services Authority, Guwahati ৰ পৃথক হিচাপ পৰীক্ষাৰ প্ৰতিবেদন ৪ খন সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় শক্তি মন্ত্ৰীয়ে ২০১৬-১৭, ২০১৭-১৮ আৰু ২০১৮-১৯ ৰ Assam Power Distribution Company Limited ৰ ১৪, ১৫ আৰু ১৬ তম বাৰ্ষিক প্ৰতিবেদন ও হিচাপ তিনিখন সদনত দাখিল কৰিব।

**শ্ৰী বিমল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০১৬-১৭, ২০১৭-১৮ আৰু ২০১৮-১৯ ৰ Assam Power Distribution Company Limited ৰ ১৪, ১৫ আৰু ১৬ তম বাৰ্ষিক প্ৰতিবেদন ও হিচাপ তিনিখন সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় শক্তি মন্ত্ৰীয়ে ২০১৯-২০ চনৰ Assam Power Generation Corporation Limited ৰ বাৰ্ষিক প্ৰতিবেদন ও হিচাপখন সদনত দাখিল কৰিব।

**শ্ৰী বিমল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০১৯-২০ চনৰ Assam Power Generation Corporation Limited ৰ বাৰ্ষিক প্ৰতিবেদন ও হিচাপখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে অসম বিধান সভাৰ নিয়মাৱলী সমিতিৰ ১৭ তম প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ নিয়মাৱলী সমিতিৰ ১৭ তম প্ৰতিবেদনখন সদনত দাখিল কৰি লোঁ।

**মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী পিয়ুষ হাজৰিকা দেৱে মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী দেৱে অসম বিধান সভাৰ সদস্য পদৰ পৰা পদত্যাগ কৰা হেতুকে আকস্মিক ভাৱে খালী হোৱা অসম বিধান সভাৰ অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ সমিতিৰ সদস্য পদটো পূৰণ কৰিবলৈ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ১৯৪(৩) নং দফাৰ অধীনত একল সংক্ৰমণীয় ভোটেৰে আনুপাতিক প্ৰতিনিধিত্ব নীতি অনুসৰি সদনৰ সদস্য/সদস্যা সকলৰ মাজৰ পৰা এজন সদস্যক বাকী থকা কাৰ্য্যকালৰ বাবে নিৰ্বাচন কৰিবলৈ প্ৰস্তাৱ আগবঢ়াব।**

**Shri Pijush Hazarika**: Sir, I beg to move "this House do elect one Member under the provision of Rule 194(3) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly from amongst its Members according to the principle of proportional representation by means of a single transferable vote to the Committee on Welfare of Other Backward Classes and More Other Backward Classes, Assam Legislative Assembly to fill up the vacancy caused

due to resignation of Shri Rupjyoti Kurmi, Committee on the Welfare of Other Backward Classes and More Other Backward Classes from the Membership of Assam Legislative Assembly for the unexpired remaining period of the Committee".

**মাননীয় অধ্যক্ষ ঃ** এতিয়া **মই মাননীয় মুখ্যমন্ত্ৰীক** "The Assam Cattle Preservation Bill, 2021" উৎথাপন কৰিবৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Cattle Preservation Bill, 2021" বিধেয়কখন সদনত উৎথাপন **কৰিবলৈ অনুমতি বিচাৰিছো।**

**মাননীয় অধ্যক্ষ ঃ বিধেয়ক খন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে ?**

"অনুমতি দিয়া হ'ল"

**এতিয়া মাননীয় মুখ্যমন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।**

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Cattle Preservation Bill, 2021" বিধেয়কখন মই সদনত উত্থাপন **কৰিলোঁ।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ সচিবে শিৰোনামটো পঢ়ি দিব।

**সচিব ঃ** বিধেয়কখনৰ শিৰোনাম ঃ "The Assam Cattle Preservation Bill, 2021"

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই মাননীয় মুখ্যমন্ত্ৰীক "The Bengal, Agra and Assam Civil Courts (Assam Amendment) Bill, 2021" উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালোঁ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Bengal, Agra and Assam Civil Courts (Assam Amendment) Bill, 2021" বিধেয়কখন সদনত উত্থাপন **কৰিবলৈ অনুমতি বিচাৰিছো।**

**মাননীয় অধ্যক্ষ ঃ বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে ?**

"অনুমতি দিয়া হ'ল"

**এতিয়া মাননীয় মুখ্যমন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।**

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Bengal, Agra and Assam Civil Courts (Assam Amendment) Bill, 2021" বিধেয়কখন মই সদনত উত্থাপন **কৰিলোঁ।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ সচিবে বিধেয়কখনৰ শিৰোনাম পঢ়ি দিব।

**সচিব ঃ** বিধেয়কখনৰ শিৰোনাম ঃ "The Bengal, Agra and Assam Civil Courts (Assam Amendment) Bill, 2021".

**মাননীয় অধ্যক্ষ ঃ** এতিয়া **মই মাননীয় বিত্ত মন্ত্ৰীক** "The Assam Goods and Services Tax (Amendment) Bill, 2021" উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ

কৰিবলৈ অনুৰোধ জনালোঁ ।

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Goods and Services Tax (Amendment) Bill, 2021" বিধেয়কখন সদনত উত্থাপন **কৰিবলৈ মই অনুমতি বিচাৰিলোঁ।**

**মাননীয় অধ্যক্ষ ঃ বিধেয়ক খন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে ?**

**"অনুমতি দিয়া হ'ল"**

**ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে 2021 চনৰ 9 জুলাই তাৰিখত এটা বাণী পঠিয়াইছে।**

RAJ BHAVAN
GUWAHATI
July 09, 2021

*Under the provision of Article 207(1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of THE ASSAM GOODS AND SERVICES TAX (AMENDMENT) BILL, 2021 in the Assam Legislative Assembly.*

*(Prof. Jagdish Mukhi)*
*Governor of Assam*

**এতিয়া মাননীয় বিত্তমন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।**

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Goods and Services Tax (Amendment) Bill, 2021" বিধেয়কখন মই সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ সচিবে বিধেয়কখনৰ শিৰোনামটো পঢ়ি দিব।

**সচিব ঃ** বিধেয়কখনৰ শিৰোনাম ঃ "The Assam Goods and Services Tax (Amendment) Bill, 2021"

**মাননীয় অধ্যক্ষ ঃ** এতিয়া **মই মাননীয় বিত্ত মন্ত্ৰীক** "The Assam Fiscal Responsibility and Budget Management (Amendment) Bill, 2021" উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালোঁ ।

**শ্ৰী মতী অজন্তা নেওগ (বিত্তমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Fiscal

Responsibility and Budget Management (Amendment) Bill, 2021" বিধেয়কখন সদনত উত্থাপন **কৰিবলৈ মই অনুমতি বিচাৰিলোঁ।**

**মাননীয় অধ্যক্ষ ঃ বিধেয়ক খন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে ?**

**"অনুমতি দিয়া হ'ল"**

**ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে 2021 চনৰ ৮ জুলাই তাৰিখত এটা বাণী পঠিয়াইছে।**

RAJ BHAVAN
GUWAHATI
July 08, 2021

*Under the provision of Article 207(1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of "THE ASSAM FISCAL RESPONSIBILITY AND BUDGET MANAGEMENT (AMENDMENT) BILL, 2021" in the Assam Legislative Assembly.*

*(Prof. Jagdish Mukhi)*
*Governor of Assam*

**এতিয়া মাননীয় বিত্তমন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।**

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Fiscal Responsibility and Budget Management (Amendment) Bill, 2021" বিধেয়কখন মই সদনত উত্থাপন **কৰিলোঁ।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ সচিবে বিধেয়কখনৰ শিৰোনামটো পঢ়ি দিব।

**সচিব ঃ** বিধেয়কখনৰ শিৰোনাম ঃ "The Assam Fiscal Responsibility and Budget Management (Amendment) Bill, 2021"

**মাননীয় অধ্যক্ষ ঃ** এতিয়া **মই মাননীয় নগৰ উন্নয়ন মন্ত্ৰীক** "The Assam Municipal (Amendment) Bill, 2021" উৎথাপন কৰিবৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালোঁ ।

**শ্ৰী অশোক সিংঘল (নগৰ উন্নয়ন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Municipal (Amendment) Bill, 2021" বিধেয়কখন সদনত উত্থাপন **কৰিবলৈ মই অনুমতি বিচাৰিছোঁ।**

**মাননীয় অধ্যক্ষ ঃ বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে ?**

**"অনুমতি দিয়া হ'ল"**

**এতিয়া মাননীয় নগৰ উন্নয়ন মন্ত্ৰীক** "The Assam Municipal (Amendment) Bill, 2021" **বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।**

**শ্ৰী অশোক সিংঘল (নগৰ উন্নয়ন মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Municipal (Amendment) Bill, 2021" বিধেয়কখন মই সদনত উত্থাপন **কৰিলোঁ।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ সচিবে শিৰোনামটো পঢ়ি দিব।

**সচিব ঃ** বিধেয়কখনৰ শিৰোনাম ঃ "The Assam Municipal (Amendment) Bill, 2021"

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সদন অহাকালি **৯.৩০** বজালৈ স্থগিত ৰখা হ'ল।